# বিজ্ঞান বাৰ্তা

2024

# BIGYAN BARTA

ASSAM SCIENCE SOCIETY

Vol-1 | Issue-3 | May – June | a Bimonthly news letter











কেন্দ্ৰীয় সমিতিৰ আৰু শাখাৰ বা-বাতৰি

BIGYAN BARTA

# TABLE OF CONTENTS


Editorial ................................................. 01
New branch................................................02
General body meeting ............................03
Obituary ...................................................05
Drive against Superstition .........................07
Nature camp ...... .. . ...............................18
National technology day ...... .................23
State Level Teacher's Training Program.
Residential orientation program on
teaching methodology for teachers
of Science and Mathematics ......................24
State executive meeting ...........................30
International day for Biological Diversity .. 33
Annual state conference of society ...........34
Felicitation ... ... ... ......... ......... ...............42
Science model/project/ idea exhibition
among Eco-clubs of Morigaon district... ...43
Sub-committee meeting.............................44
World environment day .................. .........45
Women cell`s meeting (online)...................90
Women cell`s program on health
and hygiene........................................ ...94
Sub-committee meeting......... ................ .96
Advisory on WhatsApp groups...................98
Organizational meeting...... ............... ... .100
State executive meeting ......... ... ...........104
About Bigyan puji ............ ......... .............105


## EDITORIAL BOARD


**Advisors :**
Kshiradhar Baruah
Basanta Deka
Dr. Abani Kumar Bhagabati
Dr. Jaideep Baruah
Abhijit Sarma Borua

    

**Chief Editor :**
Nirud Kumar Borah

**Editor :**
Pankaj Kumar Boruah

**Members:**
Bhupen Sarma
Dr. Kandarpa Kr. Sarma
Hiranya Kr. Nath
Pradip Mahanta

   

**Graphics and design:**
Nirud Kumar Borah



**Publisher :**
Mrinal Kumar Hazarika
Secretary, Assam Science Society,
Khanapara,
Jawahar Nagar, Guwahati 781022

BIGYAN BARTA

২০২৪ চনৰপৰা প্ৰকাশিত

EDITORIAL

বিজ্ঞান বাৰ্তা

VOL-1-,-ISSUE 3::, MAY-JUNE , A BIMONTHLY NEWS LETTER

বৰ্ষ ১ ঃ ৩য় সংখ্যা ঃ মে'–জুন ২০২৪

# সম্পাদকীয়

বিজ্ঞান বাৰ্তাৰ সকলো পঢ়ুৱৈলৈ সাদৰ সম্ভাষণ জনাইছোঁ। ২০২৪ চনৰ মে'-জুন মাহৰ সংখ্যাত অসম বিজ্ঞান সমিতিৰ বিভিন্ন শাখাই সম্পাদিত কৰা বিভিন্ন কাৰ্যসূচী ইয়াত তুলি ধৰিবলৈ যত্ন কৰা হৈছে। এই সময়ছোৱাত অসম বিজ্ঞান সমিতিৰ বাৰ্ষিক অধিবেশন, ছেবাৰ লগত যুটীয়া ভাবে শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী সম্পাদন কৰা , পৰিৱেশ দিৱস উদযাপন কৰা, আৰু অন্ধবিশ্বাস দূৰীকৰণ বিষয়ক কাৰ্যসূচী , "বিজ্ঞান প্ৰসাৰত ডিজিটেল মাধ্যমৰ প্ৰয়োগ" প্ৰকল্পৰ অধীনৰ কাৰ্যসূচীৰ অনুষ্ঠান বিভিন্ন শাখাই সুন্দৰকৈ অনুস্থিত কৰিছে। অবিস ৰ বিভিন্ন উপ সমিতিৰ বিশেষ কাম কাজৰ সম্পাদনেৰে এই মাহ দুটা ব্যস্ততাৰে পাৰ হয়। বিজ্ঞান বাৰ্তা খনে ইয়াৰ সাক্ষ্যই বহন কৰিছে। । শতাধিক পৃষ্ঠাৰ এই সংখ্যাটোৱে অসম বিজ্ঞান সমিতিৰ কাম কাজৰ ব্যাপকতাকেই সূচায়। শাখা সমুহেই হ'ল অসম বিজ্ঞান সমিতিৰ মূল চালিকা শক্তি। আপোনালোকৰ অশেষ পৰিশ্ৰমক কৃতজ্ঞতাৰে স্বীকাৰ কৰিছোঁ ।

অসম বিজ্ঞান সমিতিৰ মাননীয় সদস্য সকলেই আমাৰ প্ৰেৰণাৰ উৎস। বহু ব্যক্তিৰ জীৱন যোৰা সাধনা আৰু শ্ৰমৰ ফলশ্ৰুতিত হে অসম বিজ্ঞান সমিতি আজিৰ এই অৱস্থাত উপনীত হৈছেহি। এই মাননীয় সদস্য সকলৰ বহুতেই বিভিন্ন কাৰণত পুৰ্বৰ স্থানৰ পৰা স্থানান্তৰিত হৈছে । ফলত তেখেত সকলৰ লগত যোগাযোগ ৰখাৰ বাবে তেখেতলোকৰ ঠিকনা, মোবাইল নম্বৰ , ই -মেইল আদিৰ তালিকা কৰিবলৈ যত্ন কৰি থকা হৈছে । নতুন সদস্য ভৰ্তিৰ বাবেও বিভিন্ন সময়ত সমিতিৰ তৰফৰ পৰা আহ্বান জনাই থকা হৈছে। "বিজ্ঞান জেউতি"খনৰো নিয়মিয়া গ্ৰাহক বৃদ্ধিৰ প্ৰয়োজন আছে। আশা কৰোঁ এই ক্ষেত্ৰবোৰত আপোনা - লোকৰ সহাঁৰিয়ে এক নতুন মাত্ৰা প্ৰদান কৰিব বুলি ৰাখিলো। সকলোবোৰ আঁত ধৰি.ৰাখিবলৈ সমিটিৰ ৱেবচাইটৰ উন্নীতকৰণৰ কাম.চলি আছে।

কিন্তু আমাৰ সন্মুখত একাধিক প্ৰত্যাহ্বানও নথকা নহয় যেনে, তাহানিতে কটন কলেজত জন্ম লোৱা অসম বিজ্ঞান সমিতিৰ, পূৰ্বৰ সেই জনপ্ৰিয়তা, (বিশেষ কৈ ছাত্ৰ ছাত্ৰী তথা নতুন প্ৰজন্মৰ মাজত) অসমৰ প্ৰাণকেন্দ্ৰ গুৱাহাটী মহানগৰীত, বিশ্ববিদ্যালয়, কলেজ, বিদ্যালয় আদি প্ৰতিষ্ঠান বোৰত আজি বহু বছৰৰ পৰাই ক্ৰমান্নয়ে ম্লান পৰি আহিছে যেন বোধ হৈছে। ই উদ্বেগৰ বিষয়। এই প্ৰসংগত সকলোৰে সহায় সহযোগৰ নিতান্তই প্ৰয়োজন। আৰু এই প্ৰসংগ ক্ৰমেই, অসম বিজ্ঞান সমিতিৰ গুৱাহাটীস্থিত কেন্দ্ৰীয় সমিতিৰ আজীৱন সদস্য সকলক মহানগৰীখনত বিজ্ঞান সমিতিৰ সামগ্ৰিক প্ৰসাৰ আৰু প্ৰচাৰত আগভাগ লৈ সমিতিৰ হকে আপোনালোকৰ অতি দক্ষ সেৱা আৰু বহুমুলীয়া পৰামৰ্শ প্ৰদান কৰিবলৈ আহ্বান জনালোঁ।

"জাতীয় বিজ্ঞান পুঁজি" - এটি নৱ চিন্তা, এই পুঁজিলৈ সদৌকে দান বৰঙণি আগবঢ়াবলৈ মুকলি আহ্বান জনাইছোঁ। অসম বিজ্ঞান সমিতি আৰু আগুৱাই যাওক তাৰেই আশাৰে,-

শ্ৰদ্ধাৰে,

নিৰোদ কুমাৰ বৰা
পংকজ কুমাৰ বৰুৱা






Published by : General Secretary, Assam Science Society, Khanapara, Jawahar Nagar, Guwahati 781022, Assam

# নতুন শাখা খোলাৰ প্ৰস্তুতি

7 May 2024 , জাজৰি শাখা আৰু কলিয়াবৰ শাখাৰ যৌথ উদ্যোগত পুৰণিগুদামৰ , ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অসম বিজ্ঞান সমিতিৰ, নতুন শাখা খোলাৰ বাবে সাধাৰণ সভাৰ আয়োজন কৰা হয়। কেন্দ্ৰীয় সমিতিৰ পৰা সচিব প্ৰধান শ্ৰী মৃণাল কুমাৰ হাজৰিকা, যুটীয়া সচিব শ্ৰী নিৰোদ কুমাৰ বৰা আৰু জাজৰী শাখাৰ পৰা সম্পাদক শ্ৰী জানমণি বৰা , কলিয়াবৰ শাখাৰ পৰা,





সম্পাদক, শ্ৰী ভূপেন শৰ্মা উপস্থিত থাকে। অনুষ্ঠানত বিদ্যালয় খনৰ অধ্যক্ষ প্ৰমুখ্যে সকলো শিক্ষক শিক্ষয়িত্ৰী , ছাত্ৰ ছাত্ৰী তথা স্থানীয় লোকে উৎসাহ যোগাই। তেখেতলোক ধন্যবাদৰ পাত্ৰ ।





# GENERAL BODY MEETING

The Biennial GB meeting of Assam Science Society **Jorhat Branch** held on 3 May, 2024 has formed the new Executive Committee as under :

The Biennial GB meeting of Assam Science Society **Jorhat Branch** held on 3 May, 2024 has formed the new Executive Committee as under

Advisers : Sri U C Bora, Dr. V M Tiwari, Sri U C Bora, Dr. V M Tiwari, Er M.N.Gogoi, Dr. R.C.Boruah , Dr P C Neog.

President: Dr. Bichitra Kumar Barthakur.

Working President : Dr. Bimola Prasad Baruah.

Vice Presidents : Dr. Bipin Khongia, Dr. Aditi Bezbaruah, Er Surjya K Gogoi, Dr Sanjan A Hazarika, Dr Anil Chandra Gogoi, Dr Ritunjoy Bhuyan, Dr Arpan Baruah.

Gen. Secretary : Sri Romen Gogoi.

Joint Secretaries : Dr Montu Bhuyan , Dr Dandeswar Dutta











যোৰহাট ঃ ৫ মে' ঃ যোৱা ৩ মে'ত অসম বিজ্ঞান সমিতিৰ যোৰহাট শাখা আৰু যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ যুটীয়া উদ্যোগত মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। ইয়াৰ পূৰ্বে সমিতিৰ উপদেষ্টা মহেন্দ্ৰ নাথ গগৈয়ে বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° উৎপল জ্যোতি মহন্তৰ সঞ্চালনাত অনুষ্ঠিত আলোচনা চক্ৰত যথাক্ৰমে বাহনা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড° পাৰবিন ইৰাকী আৰু স্বৰূপা ভট্টাচাৰ্যৰ দ্বাৰা 'উত্তৰ-পূব ভাৰতত জলবায়ু পৰিৱৰ্তন' বিষয়ত, যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দুলেন শইকীয়াৰ দ্বাৰা 'প্ৰদুষণ আৰু প্ৰতিকাৰ' বিষয়ত, জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা পল্লৱী দুৱৰাৰ দ্বাৰা 'গোটা আৱৰ্জনাৰ ব্যৱস্থাপনা' বিষয়ত আৰু দেৱীচৰণ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড° জুৰী বৰুৱাৰ দ্বাৰা 'অন্ধবিশ্বাস ঃ সমাজত ইয়াৰ প্ৰভাৱ' বিষয়ত আলোচনা আগবঢ়োৱা হয়। শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু বিজ্ঞান সমিতিৰ সদস্যসকলৰ মাজৰ পৰা কেইবাটাও প্ৰশ্ন কৰা হয়। সৰোজিনী দেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী আৰু যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আলোচনা চক্ৰত উপস্থিত থাকে। ইয়াৰ পিছতে বিজ্ঞান শাখাৰ দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। সম্পাদকীয় প্ৰতিবেদন আৰু শাখাৰ আয়-ব্যয়ৰ প্ৰতিবেদন সভাই গ্ৰহণ কৰে। এই সভাতেই পুৰণা কাৰ্যকৰী সমিতি ভংগ কৰা হয় আৰু নতুন কাৰ্যকৰী সমিতিখন গঠন কৰা হয়। সমিতিখনত উপদেষ্টা উমেশ চন্দ্ৰ বৰা, ড° ভি এম তিৱাৰী, মহেন্দ্ৰ নাথ গগৈ, ড° ৰমেশ চন্দ্ৰ বৰুৱা আৰু প্ৰমোদ চন্দ্ৰ নেওগ; সভাপতি ড° বিচিত্ৰ কুমাৰ বৰঠাকুৰ; কাৰ্যকৰী সভাপতি ড° বিমলা প্ৰসাদ বৰুৱা, উপ-সভাপতি ড° বিপিন খঙীয়া, সূৰ্য কুমাৰ গগৈ, ড° সঞ্জন আলী হাজৰিকা, ড° অনিল চন্দ্ৰ গগৈ, ড° ৰিতুঞ্জয় ভূঞা, ড° অৰ্পণ বৰুৱা, সম্পাদক ৰমেন গগৈ, যুটীয়া সম্পাদক ড° মণ্টু ভূঞা, ড° দণ্ডেশ্বৰ দত্ত, কোষাধ্যক্ষ ড° ৰাজীৱ লোচন গোস্বামী, অভ্যন্তৰীণ হিচাপ পৰীক্ষক ড° পুলক জ্যোতি ভূঞা। ইয়াৰ লগতে কেইবাগৰাকীও কাৰ্যকৰী সদস্যক নিৰ্বাচন কৰা হয়।

# GENERAL BODY MEETING











## অসম বিজ্ঞান সমিতিৰ শোক প্ৰকাশ

গুৱাহাটী, ১৪ মে',২০২৪

অসম বিজ্ঞান সমিতিয়ে অসমৰ বিশিষ্ট উদ্ভিদ বিজ্ঞানী, লোক-সংস্কৃতিৰ গৱেষক পণ্ডিত, তথা প্ৰকৃতিবিদ ড০ পদ্মেশ্বৰ গগৈৰ যোৱা ১২ মে, ২০২৪ তাৰিখে হোৱা আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰে।

সমিতিয়ে ড০ পদ্মেশ্বৰ গগৈৰ বিয়োগত সমিতিৰ লগতে বিজ্ঞান, শিক্ষা তথা সামাজিক ক্ষেত্ৰখনৰ অপূৰণীয় ক্ষতি বুলি অনুভৱ কৰে। বিজ্ঞান, শিক্ষা, লোক-সংস্কৃতি তথা সামাজিক ক্ষেত্ৰখনলৈ ড০ পদ্মেশ্বৰ গগৈয়ে আগবঢ়োৱা অৱদানৰ কথা সমিতিয়ে শ্ৰদ্ধাৰে সোঁৱৰে আৰু শোক-সন্তপ্ত পৰিয়ালৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

(ড০ ধীৰেশ্বৰ কলিতা)
সভাপতি

(মৃণাল কুমাৰ হাজৰিকা)
প্ৰধান সচিব



## অসম বিজ্ঞান সমিতিৰ শোক প্ৰকাশ

গুৱাহাটী, ১৪ মে',২০২৪

অসম বিজ্ঞান সমিতিয়ে সমিতিৰ আজীৱন সদস্যা তথা বিহপুৰীয়া শাখাৰ মহিলা বিজ্ঞান কোষৰ প্ৰতিষ্ঠাপক আহ্বায়ক, লোহিত ডিক্ৰং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত শিক্ষয়িত্ৰী আৰু সুলেখিকা শ্ৰীমতী ৰীণা পূজাৰীৰ যোৱা ১৩ মে, ২০২৪ তাৰিখে হোৱা আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰে।

সমিতিয়ে শ্ৰীমতী ৰীণা পূজাৰীৰ বিয়োগত সমিতিৰ লগতে বিজ্ঞান, শিক্ষা তথা সামাজিক ক্ষেত্ৰখনৰ অপূৰণীয় ক্ষতি বুলি অনুভৱ কৰে। বিজ্ঞান, শিক্ষা, সাহিত্য, সংস্কৃতি তথা সামাজিক ক্ষেত্ৰখনলৈ শ্ৰীমতী পূজাৰীৰয়ে আগবঢ়োৱা অৱদানৰ কথা সমিতিয়ে শ্ৰদ্ধাৰে সোঁৱৰে আৰু শোক-সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

(ড০ ধীৰেশ্বৰ কলিতা)
সভাপতি

(মৃণাল কুমাৰ হাজৰিকা)
প্ৰধান সচিব






শুদ্ধ আৰু আলোচনীৰ বাৰ্তাৰ প্ৰতীক

**অসম বাৰ্তা**

## বিৰুবালা ৰাভাৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন



# বীৰুবালা ৰাভাৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**তিনিচুকীয়া ঃ** ষ্টাফ ৰিপ'ৰ্টাৰ, ১৬ মে' ঃ বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সভাকক্ষত বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজ, অসম বিজ্ঞান সমিতিৰ তিনিচুকীয়া শাখা আৰু ইলোৰা বিজ্ঞান মঞ্চৰ তিনিচুকীয়া শাখাৰ যৌথ আহ্বানত অন্ধবিশ্বাস কুসংস্কাৰ-বিৰোধী সংগ্ৰামৰ অক্লান্ত যোদ্ধা পদ্মশ্ৰী ড° বীৰুবালা ৰাভাৰ এক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। আহ্বায়ক অনুষ্ঠানত্ৰয়ৰ সভাপতি ক্ৰমে ড° জ্যোতিপ্ৰসাদ চলিহা, ড° ৰাজীৱ বৰদলৈ আৰু ৰাণা কুমাৰ চাংমাইৰ সভাপতিত্বত অনুষ্ঠিত সভাত প্ৰথমতে আহ্বায়ক অনুষ্ঠানত্ৰয়ৰ উপৰি তিনিচুকীয়া পেঞ্চনাৰ সন্থা, জ্যেষ্ঠ নাগৰিক সন্থাকে ধৰি বিভিন্ন সংগঠনৰ পৰা শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰে। দেৱকান্ত বুঢ়াগোহাঁয়ে উদ্দেশ্য ব্যাখ্যা কৰা, উত্তম দুৱৰা, ডাঃ দীপক বৰুৱা, সুভাষ সেন, ড° অপূৰ্ব ভাস্কৰ গগৈ, তাৰিণী ডেকা, মোহন বুঢ়াগোহাঁই, বিজয় বৰদলৈ, খগেশ্বৰ টায়ে, বৃন্দাবন কলিতা, ভদ্ৰেশ্বৰ বৰুৱা, শকুন্তলা ৰঘুবংশী, ৰাণু বৰদলৈ, ড° দীপিকা ভট্টাচাৰ্য, ইন্দ্ৰেশ্বৰ ইয়েন, অমিয় কুমাৰ লাহন, মনীষা ভাগৱতী, জ্যোতিপ্ৰসাদ ফুকন, ড° ৰঞ্জনা বৰা বৰদলৈ, তৰংগমল্ল বৰুৱা, কীৰ্তি প্ৰসাদ চলিহা, ইজৰাইল নন্দ, ৰমিলা গোহাঁই, মৰমী বৰবৰা, মঞ্জুৰি বৰুৱা আদি বিশিষ্ট ব্যক্তি উপস্থিত থকা সভাখনত পূৰ্ণ কাকতীয়ে বীৰুবালাৰ জীৱন আৰু কৰ্মজীৱন সম্পৰ্কে ব্যাখ্যা আগবঢ়ায় আৰু অমূল্য খাটনিয়াৰ, ড° সদানন্দ নাথ, অঞ্জনা গোস্বামী, অৰিন্দম অধিকাৰী, পূৰ্ণানন্দ বৰুৱা, জয়নাল আবেদিন (বেণু), ৰবিন কুৰ্মি, ৰঞ্জন চৌধুৰী আদি বিভিন্নজনে বক্তব্য আগবঢ়ায়। সভাত এটা শোকপ্ৰস্তাৱ গ্ৰহণেৰে বীৰুবালা ৰাভাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয় আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গৰ প্ৰতি সমবেদনা জ্ঞাপন কৰা হয়। আনহাতে, আয়োজক সংগঠনত্ৰয়ৰ লগত যৌথভাৱে অন্ধবিশ্বাস-কুসংস্কাৰৰ বিৰুদ্ধে কাৰ্যসূচী চলাই যোৱাৰ ক্ষেত্ৰত সভাই সহমত প্ৰকাশ কৰে আৰু জিলাখনত ডাইনী সন্দেহজনিত ঘটনাৰ সম্ভেদ পোৱাৰ লগে লগে যোগাযোগ কৰিব পৰাকৈ এটা টল ফ্ৰী নম্বৰ ঘোষণা কৰিবলৈ প্ৰশাসনক অনুৰোধ জনাই প্ৰস্তাৱ গ্ৰহণ কৰে।

# DRIVE AGAINST SUPERSTITION

"অন্ধ বিশ্বাস" ৰ বিৰুদ্ধে অভিযান - অশুভ সামাজিক শক্তি নিৰ্মূল কৰোঁ আহক" শীৰ্ষক জিলা পৰ্যায়ৰ স্বেচ্ছাসেৱী প্ৰশিক্ষণৰ কৰ্মশালা

## বিৰুবালা ৰাভাৰ আদৰ্শক জীয়াই ৰাখিব লাগিব

# DRIVE AGAINST SUPERSTITION

## ছিপাঝাৰ শাখা 5,6 May

'অন্ধবিশ্বাসবিৰোধী অভিযান ঃ আহক অশুভ সামাজিক শক্তি নিৰ্মূল কৰোঁ আহক' শীৰ্ষক আলোচনা-চক্ৰ

### ছিপাঝাৰত অন্ধবিশ্বাসবিৰোধী অভিযান অসম বিজ্ঞান সমিতিৰ

নিয়মীয়া বাৰ্তা, ছিপাঝাৰ, ৮ মে' ঃ মানুহৰ মনৰ পৰা অন্ধবিশ্বাস আৰু কুসংস্কাৰ দূৰ কৰাৰ বাবে অহৰহ প্ৰচেষ্টা চলাই অহা বিজ্ঞানভিত্তিক স্বেচ্ছাসেৱী সংগঠন অসম বিজ্ঞান সমিতিৰ ছিপাঝাৰ শাখাৰ উদ্যোগত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, পশ্চিম মঙলদৈ উন্নয়ন খণ্ডৰ সভাগৃহত এখন জিলা পৰ্যায়ৰ প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হয়। 'অন্ধবিশ্বাসবিৰোধী অভিযান ঃ আহক অশুভ সামাজিক শক্তি নিৰ্মূল কৰোঁ আহক' এই বিষয়বস্তুক লৈ ৫ আৰু ৬ মে'ত অনুষ্ঠিত এই কৰ্মশালাত জিলাখনৰ ছিপাঝাৰ, পূব মঙলদৈ, পশ্চিম মঙলদৈ, বেছিমাৰী আৰু কলাগাঁও-শিয়ালমাৰী উন্নয়ন খণ্ড এলেকাৰ প্ৰতিনিধিয়ে অংশ লয়। আনহাতে, কৰ্মশালাখনত সম্পদ ব্যক্তি হিচাপে উপস্থিত থাকি দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ অক্ষয় কুমাৰ নাথ, কাপকোঁৱৰ জ্যোতিপ্ৰসাদ হাইস্কুলৰ অৱসৰী বিজ্ঞান শিক্ষক দিলীপ কুমাৰ শইকীয়া, বেছিমাৰী খণ্ড আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক দিলোৱাৰ হুছেইন, পকাদলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক ৰবীন্দ্ৰ হাজৰিকাই সমাজত চলি অহা বিভিন্ন কুসংস্কাৰ, অন্ধবিশ্বাসৰ বিষয়ে আলোকপাত কৰে। পাৰদৰ্শী আটাইকেইগৰাকী ব্যক্তিয়ে সকলো কথাকে বিজ্ঞানৰ দৃষ্টিৰে চালি-জাৰি চাইহে গ্ৰহণ কৰিবলৈ আহ্বান জনায়। বিজ্ঞান সদায় পৰীক্ষা-নিৰীক্ষা, পৰ্যবেক্ষণ, সত্যাসত্য নিৰূপণ আৰু প্ৰামাণিক ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত। কাৰণ নোহোৱাকৈ কোনো ঘটনা নঘটে। সকলো ঘটনাৰ আঁৰত কাৰণ বিদ্যমান। সেয়ে তেওঁলোকে যুক্তিৰে সকলো কথাকে চাবলৈ সকলোকে আহ্বান জনায়। সভাৰ মাজতে বিজ্ঞানকৰ্মী তথা ৰাজ্যিক কৃতী বঁটাপ্ৰাপ্ত শিক্ষক হিৰণ্য কুমাৰ নাথে বিজ্ঞানভিত্তিক কেইবাটাও যাদু প্ৰদৰ্শন কৰি তাৰ আঁৰত থকা বিজ্ঞানৰ বিষয়ে বুজাই দিয়ে। ছিপাঝাৰ শাখাৰ যুটীয়া সম্পাদক ইকবাল বছিৰ হাজৰিকাই আঁত ধৰা অনুষ্ঠানটোত প্ৰায় ৫০গৰাকী শৈক্ষিক তথা সামাজিক ক্ষেত্ৰত জড়িত থকা ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভাৰ মাজতে সমাজত চলি অহা কেতবোৰ অন্ধবিশ্বাস সম্বলিত বিষয় সামৰি প্ৰস্তুত কৰা প্ৰচাৰ-পত্ৰ প্ৰতিনিধিসকলৰ মাজত বিতৰণ কৰা হয়। ১৯৫৭ চনৰ ১৩ ফেব্ৰুৱাৰীত প্ৰতিষ্ঠা হোৱা অসমৰ অতি পুৰণি বিজ্ঞান সংগঠন অসম বিজ্ঞান সমিতিৰ সহযোগত আৰু অসম বিজ্ঞান আৰু প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদ আৰু অসম চৰকাৰৰ বিজ্ঞান-প্ৰযুক্তি বিদ্যা আৰু জলবায়ু পৰিবৰ্তন বিভাগৰ পৃষ্ঠপোষকতাত আয়োজিত এই কৰ্মশালাত অংশগ্ৰহণকাৰীসকল যথেষ্ট উৎসাহী হৈ পৰে আৰু বিজ্ঞান সমিতিৰ প্ৰয়াসৰ শলাগ লয়।













পিছলা শাখা

# DRIVE AGAINST SUPERSTITION






অসম বিজ্ঞান সমিতি পিছলা শাখাৰ দ্বাৰা দুদিনীয়াকৈ আয়োজন কৰা অন্ধবিশ্বাস দূৰীকৰণ কৰ্মশালা...







## যোৰহাট শাখা

# DRIVE AGAINST SUPERSTITION





Dainik Gana Adhikar 12 Guwahati, Wednesday, 22 May, 2024 RNI No. 63550/95 • Website : www.ganaadhikar.com

## যোৰহাটত অন্ধবিশ্বাস দূৰীকৰণৰ প্ৰশিক্ষণ

















**উত্তৰ গুৱাহাটী শাখা**

# DRIVE AGAINST SUPERSTITION

**Workshop on Drive against superstition -A campaign to eradicate social evils.**
**11, 12 May 2024**













অসম বিজ্ঞান সমিতি, উত্তৰ গুৱাহাটী শাখাৰ দ্বাৰা আয়োজিত "অন্ধ বিশ্বাস" ৰ বিৰুদ্ধে অভিযান - অশুভ সামাজিক শক্তি নিৰ্মূল কৰোঁ আহক" শীৰ্ষক জিলা পৰ্যায়ৰ স্বেচ্ছাসেৱী প্ৰশিক্ষণৰ দুদিনীয়া কৰ্মশালাৰ সফল সমাপ্তি কৰা হল



# গোৰেশ্বৰ শাখা

# DRIVE AGAINST SUPERSTITION

## গোৰেশ্বৰত অন্ধবিশ্বাস-কুসংস্কাৰ-ড্ৰাগ্‌ছৰ বিৰুদ্ধে সজাগতা সভা

নিজা বাতৰি দিওঁতা

গোৰেশ্বৰ, ১৭ মে'ঃ অসম বিজ্ঞান সমিতি আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ গোৰেশ্বৰ শাখাৰ যুটীয়া উদ্যোগত আজি দুপৰীয়া গোৰেশ্বৰৰ বেজেনাহাটী মধ্য ইংৰাজী বিদ্যালয়ত অন্ধবিশ্বাস, কুসংস্কাৰ আৰু ড্ৰাগছৰ বিৰুদ্ধে এখন সজাগতা সভা অনুষ্ঠিত হয়। অসম বিজ্ঞান সমিতিৰ গোৰেশ্বৰ শাখাৰ সভাপতি নিৰ্মল নেওগৰ সভাপতিত্বত অনুষ্ঠিত সভাখন উদ্বোধন কৰে প্ৰধান শিক্ষক ডিম্বেশ্বৰ ৰাজবংশীয়ে। মুকুন্দ কাকতিয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকি তামুলপুৰ কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ অসীম ডেকা, নাওকাটা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জিতেশ বিশ্বাস, ঔগুৰি এম ই স্কুলৰ প্ৰধান শিক্ষক মহচিনুল হক আহমেদ আৰু সাংবাদিক আব্দুল লতিফ চৌধুৰীয়ে অন্ধবিশ্বাস, কুসংস্কাৰ আৰু ড্ৰাগছে কেনেদৰে সমাজৰ ক্ষতি কৰে সেই বিষয়ে তথ্যসহকাৰে ব্যাখ্যা কৰে। শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা অভিভাৱকৰ উপস্থিতিত অনুষ্ঠিত সজাগতা সভাৰ আৰম্ভণিতে উদ্ভিদ বিজ্ঞানী তথা প্ৰকৃতিবিদ ডঃ পৰেশ্বৰ গগৈ, ডঃ সজ্জন আলী হাজৰিকা, বীণবালা বাতা, বীণা পূজাৰী আৰু প্ৰাক্তন শিক্ষা তথা ৰাজহ মন্ত্ৰী

অসম বিজ্ঞান সমিতি আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগ



থানেশ্বৰ বড়োৰ আত্মাৰ সদগতি কামনাৰে একমিনিট মৌন প্ৰাৰ্থনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰি এক শোক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সজাগতা সভাত অতিথি হিচাপে উপস্থিত থাকে গোৰেশ্বৰ খণ্ড মধ্য ইংৰাজী শিক্ষক সন্থাৰ সম্পাদক মদন ডেকা, বৰফুকনখাত মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ধৰ্মকান্ত ৰাজবংশী, লখাইতৰা এম ইৰ শিক্ষক বীৰেন্দ্ৰ নাথ দাস, ঔগুৰি এম ই স্কুলৰ শিক্ষক গফুৰ আলী আদি। উল্লেখ্য যে সজাগতা সভাৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়।








## সৰুপেটা শাখা

## DRIVE AGAINST SUPERSTITION

অসম বিজ্ঞান সমিতি , সৰুপেটা শাখাই বি.এইচ.বি. মহাবিদ্যালয়ৰ সহযোগত অন্ধবিশ্বাস দূৰীকৰণৰ ওপৰত আয়োজন কৰা আলোচনা চক্ৰৰ কিছু আলোকচিত্ৰ দিয়া হ'ল ।













## কপিলি ভেলী শাখা

## DRIVE AGAINST SUPERSTITION

অসম বিজ্ঞান সমিতি কপিলি ভেলী শাখাৰ দ্বাৰা অন্ধবিশ্বাসৰ বিৰুদ্ধে অভিযান শীৰ্ষক সজাগতা সভা এখন হোজাই জিলাৰ পূব লংকা গাওঁ পঞ্চায়ত কাৰ্যালয়ত হোজাই জিলা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ আৰু VISION and WELFARE SOCIETY-ৰ সহযোগত দুদিনীয়াকৈ (23rd & 24th May) আয়োজন কৰা হয়








## ধেমাজি শাখা

## DRIVE AGAINST SUPERSTITION












মৰিগাঁও শাখা

## DRIVE AGAINST SUPERSTITION

# অন্ধবিশ্বাস সম্পকীয় জিলা পৰ্যায়ৰ এখনি দুদিনীয়া স্বেচ্ছাসেৱী প্ৰশিক্ষণ কৰ্মশালা



অসম বিজ্ঞান সমিতি মৰিগাঁও শাখাই এছটেক(ASTEC) আৰু অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু জলবায়ু পৰিবৰ্তন বিভাগৰ সহযোগত অন্ধবিশ্বাস সম্পকীয় জিলা পৰ্যায়ৰ এখনি দুদিনীয়া স্বেচ্ছাসেৱী প্ৰশিক্ষণ কৰ্মশালা ইং-24 আৰু 25 মে'/2024 তাৰিখ শনিবাৰ আৰু ৰবিবাৰে ১০ বজাৰ পৰা সাংবাদিক সন্থাৰ কাৰ্যা -লয় মৰিগাৱঁত আয়োজন কৰে । এই কৰ্মশালাত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ খণ্ড সমন্বয়কৰ জৰিয়তে খণ্ডঃ কপিলি/লাহৰিঘাট/মৈৰাবাৰী/ভূৰবন্ধা/মায়ং/ডিমৰীয়া/চন্দ্ৰপুৰৰ পৰা উক্ত বিষয়ত স্বেচ্ছাসেৱীসকলক যোগদান কৰাৰ বাবে আমন্ত্ৰণ জনোৱা হয়। আৰু প্ৰতিটো উন্নয়ন খণ্ড এলেকাৰ পৰা ৫ গৰাকী জিলা পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচীলৈ প্ৰতিনিধি প্ৰেৰণ কৰে ।





অনুষ্ঠানৰ শুভৰম্ভ কৰে মৰিগাঁও জিলাৰ বিদ্যাল়সমূহৰ পৰিদৰ্শক শ্ৰীযুত অপূৰ্ব ঠাকুৰীয়া দেৱে।সমল ব্যক্তি ৰূপে ড পৰাগ জ্যোতি মহন্ত, শ্ৰীযুত দেৱজিৎ ডেকা আৰু শ্ৰীযুত জ্ঞানমোহন ডেকা দেৱে প্ৰশিক্ষণ প্ৰদান কৰে। অনুষ্ঠানটিত বিশিষ্ট ব্যক্তি ৰূপে সমিতিৰ প্ৰধান সচিব শ্ৰীযুত মৃণাল কুমাৰ হাজৰিকা উপস্থিত থাকে। অনুষ্ঠানটিৰ সমন্বয়ক হ`ল শ্ৰীযুত জ্ঞানমোহন ডেকা ।





## Kaliabor Branch

# DRIVE AGAINST SUPERSTITION






# বৰছলা শাখা

# DRIVE AGAINST SUPERSTITION














# NATURE CAMP

## প্ৰকৃতি সজাগতা শিবিৰ

### মৰিগাঁও শাখা

মৰিগাঁৱৰ চাৰণ বিলৰ মনোৰম পৰিৱেশত ,11 আৰু 12 মে' 2024 তাৰিখে Eco-Club ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসম বিজ্ঞান সমিতি, মৰিগাঁও শাখাৰ উদ্যোগত, মৰিগাঁও পৰ্বতাৰোহণ আৰু দুঃসাহসিক ক্ৰীড়া সন্থাৰ সহযোগত তথা অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ দ্বাৰা ৰূপায়িত পৰিৱেশ শিক্ষা কাৰ্যসূচীৰ অধীনত দুদিনৰ কাৰ্যসূচীৰে মৰিগাঁও চাৰণ বিলত আৰু বঘৰা কইনা কন্দা পাহাৰত, প্ৰকৃতি সজাগতা শিবিৰ Nature Camp ৰ. 11 আৰু 12 মে' অনুস্থিত কৰা হ'য়। উক্ত শিবিৰ শুভাৰম্ভ কৰে মৰিগাঁও জিলাৰ সন্মানীয় আয়ুক্ত শ্ৰী দেৱাশীষ শৰ্মা দেৱে। উক্ত দিনা শুভাৰম্ভণি সভাত উপস্থিত আছিল, অসম বিজ্ঞান সমিতি মৰিগাঁও শাখাৰ সম্পাদক শ্ৰী নিৰোদ কুমাৰ বৰা, ডি.এন.এ. (ই.ই.পি.) জিলাৰ সমন্বয়ক ইমদাদ আলী, মৰিগাঁও জিলাৰ বিশিষ্ট সমাজ কৰ্মী শ্ৰী ডালিম ফুকন ,মৰিগাঁও,.



মৰিগাঁও, মাউন্টেনাৰিং আৰু এডভেন্চাৰ এচোছিয়েশ্যনৰ সন্মানীয় সদস্য বৃন্দ, বিভিন্ন বিদ্যালয়ৰ শিক্ষা গুৰু আৰু ছাত্ৰ -ছাত্ৰী সকল ।প্ৰথম দিনাৰ বিভিন্ন কাৰ্যসূচীৰ সমল ব্যক্তি হিচাবে আছিল শ্ৰী দ্বীপ জ্যোতি বৰা, শ্ৰী জ্যোতি বিকাশ বৈশ্য, শ্ৰী সীমান্ত জ্যোতি বৈশ্য, শ্ৰী ৰুবুল ডেকা, শ্ৰী অনন্ত বৰঠাকুৰ দেৱ ।দ্বিতীয় দিনা বিভিন্ন কাৰ্যসূচীৰ সমল ব্যক্তি হিচাবে আছিল শ্ৰী দ্বীপ জ্যোতি বৰা, শ্ৰী ৰঞ্জন বৰঠাকুৰ, ডঃ ধনঞ্জয় ডেকা। ইয়াৰ ওপৰিও দ্বিতীয় দিনা উপস্থিত আছিল মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক মহোদয় শ্ৰী অপূৰ্ব ঠাকুৰীয়া দেৱ আৰু অসম বিজ্ঞান সমিতি প্ৰধান সচিব শ্ৰী মৃণাল কুমাৰ হাজৰিকা দেৱ আৰু ড. হেমন্ত কুমাৰ নাথ ।









## মৰিগাঁও শাখা







মৰিগাঁৱৰ চাৰণ বিলৰ মনোৰম পৰিৱেশত **Eco-Club** ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসম বিজ্ঞান সমিতি, মৰিগাঁও শাখাৰ উদ্যোগত, মৰিগাঁও পৰ্বতাৰোহণ আৰু দুঃসাহসিক ক্ৰীড়া সন্থাৰ সহযোগত তথা অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ দ্বাৰা ৰূপায়িত পৰিৱেশ শিক্ষা কাৰ্যসূচীৰ অধীনত দুদিনীয়াকৈ অনুষ্ঠিত হৈছে প্ৰকৃতি সজাগতা শিবিৰ Nature Camp ৰ ২য় দিনা ৰ কিছু ক্ষণ.

# NATURE CAMP

## ধেমাজি শাখা

## প্ৰকৃতি সজাগতা শিবিৰ

পৰিবেশ শিক্ষা কাৰ্যসূচীৰ অন্তৰ্গত অসম বিজ্ঞান সমিতি, ধেমাজি শাখাৰ উদ্যোগত পবা সংৰক্ষিত বনাঞ্চলত দুদিনীয়া কাৰ্যসূচী 6,7 May`2024










# পৰিবেশ শিক্ষা কাৰ্যসূচীৰ অন্তৰ্গত অসম বিজ্ঞান সমিতি, ধেমাজি শাখাৰ উদ্যোগত পবা সংৰক্ষিত বনাঞ্চলত দুদিনীয়া কাৰ্যসূচী












অসম বিজ্ঞান সমিতিৰ ধেমাজি শাখাৰ উদ্যোগ

বৰ্ষাৰণ্য পবাত আয়োজিত

দুদিনীয়া প্ৰকৃতি শিবিৰৰ সামৰণি

# ৰাষ্ট্ৰীয় প্ৰযুক্তি দিৱস

## যোৰহাট শাখা






# অসম বিজ্ঞান সমিতিৰ ৰাষ্ট্ৰীয় প্ৰযুক্তি দিৱস উদ্‌যাপন

যোৰহাট ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ১৩ মে' ঃ অসম বিজ্ঞান সমিতি যোৰহাট শাখাৰ উদ্যোগত, জ্যোতি বিদ্যাপীঠ টীয়কৰ সহযোগত যোৱা ১১ মে'ত ৰাষ্ট্ৰীয় প্ৰযুক্তি দিৱস উদ্‌যাপন কৰা হয়। বিদ্যালয়খনৰ অষ্টম, নৱম আৰু দশম মানৰ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত বক্তৃতা প্ৰদান কৰে নেইষ্টৰ জ্যেষ্ঠ প্ৰধান বিজ্ঞানী ড° মণ্টু ভূঞাই। এইবছৰ ৰাষ্ট্ৰীয় প্ৰযুক্তি বিদ্যাৰ মূল বিষয় হ'ল ঃ Schools to startup- Igniting young minds to innovate, বক্তৃতাত ড° ভূঞাই ভালেকেইজন উদ্ভাৱকৰ বিষয়ে সবিশেষ বৰ্ণনা কৰে। অনুষ্ঠানৰ আৰম্ভণিতে, সেইদিনা পুৱাই ইহলীলা সম্বৰণ কৰা যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ ভূতপূৰ্ব অধ্যাপক, বিজ্ঞান সমিতিৰ যোৰহাট শাখাৰ উপ সভাপতি ড° সঞ্জন আলী হাজৰিকাৰ বিদেহ আত্মাৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। বিজ্ঞান সমিতিৰ সভাপতি তথা চাহ বিজ্ঞানী ড° বিচিত্ৰ কুমাৰ বৰঠাকুৰ আৰু বিজ্ঞান সমিতিৰ উপদেষ্টা তথা নেইষ্টৰ অৱসৰপ্ৰাপ্ত বিজ্ঞানী ড° ৰমেশ চন্দ্ৰ বৰুৱায়ো ৰাষ্ট্ৰীয় প্ৰযুক্তি দিৱসৰ তাৎপৰ্য সম্পৰ্কত বক্তব্য আগবঢ়ায়। বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সম্পাদক অশোক বৰাই ছাত্ৰ- ছাত্ৰীসকলক অধ্যয়নশীল হ'বলৈ কয়। বিজ্ঞান সমিতিৰ সম্পাদক ৰমেন গগৈয়ে আঁত ধৰা অনুষ্ঠানত, সমিতিৰ যুটীয়া সম্পাদক ড° দণ্ডেশ্বৰ দত্তই মূল বক্তাৰ পৰিচয় দাঙি ধৰে। উপস্থিত অন্যান্য বিশিষ্ট ব্যক্তিসকল হ'ল— বিজ্ঞান সমিতিৰ উপ সভাপতি ড° পুলকজ্যোতি ভূঞা, সমিতিৰ আজীৱন সদস্য তথা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ যোৰহাট জিলাৰ সভাপতি প্ৰবীণ বৰুৱা, জ্যোতি বিদ্যাপীঠৰ অধ্যক্ষ প্ৰশান্ত দাস। বিদ্যালয় শিক্ষক অশোক বৰাই অতিথি আদৰণিৰ আঁত ধৰাৰ উপৰি শলাগ জ্ঞাপন কৰে।

## ডিমৌ শাখা

# অসম বিজ্ঞান সমিতি ডিমৌ শাখাৰ কাৰ্যনিৰ্বাহক

প্ৰতিদিন সেৱা, ডিমৌ, ১৪ মে' ঃ অসম বিজ্ঞান সমিতি ডিমৌ শাখাৰ এখন কাৰ্যনিৰ্বাহক সভা আজি ডিমৌ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। শাখাৰ সভাপতি অৰূপ কুমাৰ দত্তৰ সভাপতিত্বত অনুষ্ঠিত উক্ত কাৰ্যনিৰ্বাহক সভাতে শাখাৰ সভ্যসকলে সদ্য প্ৰয়াত অসম বিজ্ঞান সমিতি যোৰহাট শাখাৰ আজীৱন সদস্য, যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰী অধ্যাপক ড° চাজন আলী হাজৰিকা, প্ৰকৃতিবিদ তথা ডি আৰ কলেজ, গোলাঘাটৰ অৱসৰী অধ্যাপক ড° পদ্মেশ্বৰ গগৈ, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী তথা বিজ্ঞান সমিতি বিহপুৰীয়া শাখাৰ মহিলা বিজ্ঞান কোষৰ প্ৰতিষ্ঠাপক আহ্বায়িকা ৰীণা পূজাৰীৰ লগতে ডাইনী হত্যা আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে সংগ্ৰাম গঢ়া পদ্মশ্ৰী বিৰুবালা ৰাভাৰ বিয়োগত গভীৰ শোক প্ৰকাশেৰে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰি তেওঁলোকৰ পৰিয়ালৰ দুখৰ সমভাগী হয়। উক্ত কাৰ্যনিৰ্বাহক সভাতে অহা ২৬ মে'ত উত্তৰ গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া অসম বিজ্ঞান সমিতিৰ বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণৰ বাবে ডিমৌ শাখাৰ তৰফৰ পৰা শাখাৰ সভাপতি অৰূপ কুমাৰ দত্ত, সম্পাদক মহেন্দ্ৰ কুৰ্মী, ড° বিমল দত্ত আৰু মৃণালৰঞ্জন গগৈক প্ৰতিনিধি হিচাপে প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে।

পঢ়ক
আৰু
পঢ়ুৱাওক



# ৬ দিনীয়া কৈ আৰম্ভ হোৱা SEBA আৰু অসম বিজ্ঞান সমিতিৰ যৌথ প্ৰচেষ্টাঃ
## State Level Teacher's Training Program.





















ECOSYSTEM AND ITS COMPONENTS


Similar Figures
and
Congruence Figures


CHEMICAL REACTIONS
AND
EQUATIONS
Presented by MR. DILIP KUMAR BORAH
M.Sc. , NET QUALIFIED , B.ED.
PRINCIPAL OF RAMANUJAN SENIOR SECONDARY
SCHOOL, NAGAON (ASSAM)


photo @ nirud borah | 2024.05.16 14:35










আজি শেষৰ দিনাৰ কিছু ক্ষন..



















# প্ৰথম খণ্ডৰ সামৰণি অনুষ্ঠান
















## Second phase : State Level Teacher's Trainning Program

## ৬ দিনীয়া কৈ আৰম্ভ হোৱা SEBA আৰু অসম বিজ্ঞান সমিতিৰ যৌথ প্ৰচেষ্টা












# Second phase State Level Teacher's Trainning Program

## ৬ দিনীয়া কৈ আৰম্ভ হোৱা SEBA আৰু অসম বিজ্ঞান সমিতিৰ যৌথ প্ৰচেষ্টা















# কাৰ্য্যনিৰ্বাহক সমিতিৰ সভা (৬ষ্ঠ), মুখ্য কাৰ্যালয় ,খানাপাৰা, 19 মে', 2024

অসম বিজ্ঞান সমিতিৰ, খানাপাৰাস্থিত কেন্দ্ৰীয় কাৰ্য্যালয়ত কাৰ্য্যনিৰ্বাহক সমিতিৰ সভা (৬ষ্ঠ) অনুষ্ঠিত হয়।



















অসম বিজ্ঞান সমিতিৰ, খানাপাৰাস্থিত কেন্দ্ৰীয় কাৰ্য্যালয় ত "বিজ্ঞান বাৰ্তা" নামেৰে এখনি ই - বাৰ্তা বা নিউজ লেটাৰ, মুকলি কৰে ASTEC সঞ্চালক তথা অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন সচিব প্ৰধান ড. জয়দীপ বৰুৱা দেৱে,"বিজ্ঞান বাৰ্তা"ৰ মুখ্য সম্পাদক , নিৰোদ কুমাৰ বৰা।










https://www.facebook.com/share/r/XgKro2M9pD7bsL96/?mibextid=qi2Omg

https://www.facebook.com/share/v/dcxTQMTM7cR4hyYH/?mibextid=xfxF2i

https://www.facebook.com/share/r/EoVbGUDkDRCL5af2/?mibextid=xfxF2i

# বিৰুবালা ৰাভা আৰু আন সতীৰ্থ সকলৰ বাবে মৌন স্মৰণ।










# International day for Biological Diversity




Observation of International day for Biological Diversity organised by Pichala Branch,Assam Science Society and supported by Kherajkhat Jr. Secondary school,Deotola On 22nd May/2024.








দেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে 27 May/24

নিয়মীয়া বাৰ্তা

## পিছলা শাখা বিজ্ঞান সমিতিৰ জৈৱ-বৈচিত্ৰ্য দিৱস উদ্‌যাপন

নিয়মীয়া বাৰ্তা, ভোগপুৰ, ২৬ মে' ঃ অসম বিজ্ঞান সমিতিৰ অন্যতম সক্ৰিয় শাখা নাৰায়ণপুৰৰ পিছলা শাখা বিজ্ঞান সমিতিয়ে স্থানীয় খেৰাজখাট ছিনিয়ৰ ছেকেণ্ডৰী স্কুলৰ সহযোগত ২২ মে'ত আন্তঃৰাষ্ট্ৰীয় জীৱ-বৈচিত্ৰ্য দিৱস উদ্‌যাপন কৰে। বৰ্তমান সময়ত অত্যধিক হাৰত বৃদ্ধি পোৱা গোলকীয় উষ্ণতা, জলবায়ুৰ অস্বাভাৱিক পৰিৱৰ্তনৰ ফলত পৃথিৱীৰ জীৱকুলৰ মাজত যি প্ৰভাৱ পৰিছে, সেই কথা বাৰুকৈয়ে সকলোৱে উপলব্ধি কৰিছে। উন্নয়নৰ নামত বিভিন্ন সময়ত গছ-গছনি কাটি ঘৰ-দুৱাৰ, বাট-পথ নিৰ্মাণৰ ফলত ভাৰসাম্য হেৰুৱাইছে প্ৰকৃতিয়ে। জীৱ-বৈচিত্ৰ্যসমূহ অবাধে ধ্বংস কৰাৰ ফলত বহু জীৱ এতিয়া বিলুপ্তিৰ পথত। ফলত এতিয়া এইসমূহ ৰক্ষা আৰু ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে উঠি অহা প্ৰজন্মই জনাটো অত্যন্ত জৰুৰী হৈ পৰিছে। সেয়েহে এই সকলো দিশলৈ লক্ষ্য ৰাখি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালকৈ লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ খেৰাজখাট ছিনিয়ৰ ছেকেণ্ডৰী স্কুলত বিজ্ঞান সমিতিয়ে আন্তঃৰাষ্ট্ৰীয় জীৱ-বৈচিত্ৰ্য দিৱস উদ্‌যাপন কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত এক সজাগতা সৃষ্টিৰ প্ৰয়াস কৰে। এই উদ্দেশ্যে আয়োজন কৰা সভাখনত সভাপতিত্ব কৰে বিদ্যালয়ৰ অধ্যক্ষ বীৰেন বৰাই। এই বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰবক্তা যজ্ঞোৰাম বৰাই আঁত ধৰা সভাখনত মুখ্য পাৰদৰ্শী ব্যক্তি হিচাপে অংশগ্ৰহণ কৰা ড° লক্ষীৰাম ভূঞাই দৃশ্য-শ্ৰাব্য মাধ্যমেৰে বক্তব্য প্ৰদান কৰে। এই অনুষ্ঠানত বিদ্যালয়খনৰ শতাধিক ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকি আগবঢ়োৱা সহায়-সহযোগিতা আৰু আতিথ্যৰ বাবে পিছলা শাখা বিজ্ঞান সমিতিৰ সম্পাদক প্ৰদীপ নেওগে সকলোৰে শলাগ লোৱাৰ উপৰি জীৱ-বৈচিত্ৰ্য সংৰক্ষণৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। সমজুৱাৰ একাষাৰত সমিতিৰ জ্যেষ্ঠ আজীৱন সদস্য তথা প্ৰাক্তন অধ্যক্ষ যোগেশ্বৰ বৰাই দিৱসটিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

# বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি

আগন্তুক ২৬ মে ২০২৪ ইং তাৰিখে অনুষ্ঠিত কৰিব লগীয়া বাৰ্ষিক অধিৱেশনৰ অংশ হিচাবে যোৱা ৩ মে, ২০২৪ তাৰিখে আউনীআটী কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এটা কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।












## কুইজ প্ৰতিযোগিতা

মহানগৰ বাতৰি সেৱা

**উত্তৰ গুৱাহাটী, ৪ মে' ঃ** উত্তৰ গুৱাহাটীত অহা ২৬ মে'ত হ'বলগীয়া অসম বিজ্ঞান সমিতিৰ বাৰ্ষিক অধিৱেশনৰ সৈতে সংগতি ৰাখি কালি অসম বিজ্ঞান সমিতি, উত্তৰ গুৱাহাটী শাখাই আউনীআটী কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰে। প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে আউনীআটী কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিতোপন হাজৰিকা আৰু পৃথুৰাজ জি গোস্বামীৰ দলে আৰু দ্বিতীয় বিজয়ী দলৰ সন্মান লাভ কৰে একেখন বিদ্যালয়ৰ অৰ্জুন ভৰালী আৰু ভাৰ্গৱ শইকীয়াৰ দলে।

## North Guwahati Branch

## বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি

As part of the programmes for the ensuing Annual General Body Meeting of Assam Science Society at North Guwahati, a Science Quiz Programme, the fourth in its series was organised at Sankardev Sishu Niketan, North Guwahati on May 18, 2024 to inculcate a greater sense of scientific temperament, scientific observation and analysis of day to day happennings and motivate them towards scientific research among the school children The quiz programme was attended by Quiz Masters 1) Dr. Anupam Thakuria, Deptt of Economics, NG College and 2) Dr.Gautam Saikia, Deptt of Physics, NG College and 3) Syed Abdur Rashid Choudhury, Teacher, Anundoram Barooah ME School, Shri Thaneswar Sarmah, President of NG Branch, Shri Prabhat Sarma, Working President, Sri Partha Pratim Barkakati, Life Member and teachers of the host school led by Pradhanacharya Sri Utpal Talukdar. Pradhanacharya.The frozen moments are as attached:













অসম বিজ্ঞান সমিতিৰ বাৰ্ষিক সাধাৰণ সভা
২০২৩-২৪ বৰ্ষ

উদ্যোক্তা ঃ অসম বিজ্ঞান সমিতি, উত্তৰ গুৱাহাটী শাখা

স্থান ঃ উত্তৰ গুৱাহাটী মহাবিদ্যালয়

দিনাংক ঃ ২৬ মে', ২০২৪ (ৰবিবাৰ)

নিমন্ত্ৰণী পত্ৰ

প্ৰতি,
ড°/শ্ৰীযুত/শ্ৰীযুতা ..........



অসম বিজ্ঞান সমিতিৰ বাৰ্ষিক সাধাৰণ সভা
২০২৩-২৪ বৰ্ষ

উদ্যোক্তা ঃ অসম বিজ্ঞান সমিতি, উত্তৰ গুৱাহাটী শাখা

স্থান ঃ উত্তৰ গুৱাহাটী মহাবিদ্যালয়
দিনাংক ঃ ২৬ মে', ২০২৪ (ৰবিবাৰ)

মহাশয়/মহাশয়া,

নমস্কাৰ গ্ৰহণ কৰিব। অহা ২৬ মে', ২০২৪ তাৰিখে ৰবিবাৰে অসম বিজ্ঞান সমিতিৰ ২০২৩-২৪ বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভাখন তলত দিয়া কাৰ্যসূচীৰে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত অনুষ্ঠিত কৰিবলৈ স্থিৰ কৰা হৈছে।

উক্ত সাধাৰণ সভাত আপোনাৰ/আপোনালোকৰ সহায়-সহযোগিতা, দিহা-পৰামৰ্শৰ লগতে উপস্থিতি আন্তৰিকতাৰে কামনা কৰিলোঁ।

ইতি

শ্ৰদ্ধাৰে—

আদৰণি সমিতিৰ হৈ

| | | |
|---|---|---|
| থানেশ্বৰ শৰ্মা<br>সভাপতি | ড° দীৰেশ্বৰ কলিতা<br>সভাপতি | প্ৰভাত শৰ্মা<br>সভাপতি |
| ড° মালচী চৌধুৰী<br>ড° হিমাদ্ৰী বড়া<br>যুটীয়া সম্পাদিকা<br>অসম বিজ্ঞান সমিতি,<br>উত্তৰ গুৱাহাটী শাখা | মৃণাল কুমাৰ হাজৰিকা<br>সম্পাদক<br>অসম বিজ্ঞান সমিতি | বৃন্দালী দেৱী<br>সম্পাদিকা |



অসম বিজ্ঞান সমিতিৰ বাৰ্ষিক সাধাৰণ সভা
২০২৩-২৪ বৰ্ষ

কাৰ্যসূচী

২৬ মে', ২০২৪ (ৰবিবাৰ)

পুৱা ৮.০০ বজাৰ পৰা প্ৰতিনিধিৰ পঞ্জীয়ন
পুৱা ৯.০০ বজাত পতাকা উত্তোলন
উত্তোলক ঃ
ড° দীৰেশ্বৰ কলিতা
সভাপতি, অসম বিজ্ঞান সমিতি
পুৱা ৯.১০ বজাত ঃ
চাহ-জলপান গ্ৰহণ
পুৱা ১০.০০ বজাৰ পৰা প্ৰতিনিধি সভা
পুৱা ১০.২০ বজাত স্মৰণিকা উন্মোচন
উন্মোচক ঃ
ড° দীৰেন্দ্ৰ নাথ বুঢ়াগোহাঁই
প্ৰতিষ্ঠাপক সঞ্চালক, আই আই টি গুৱাহাটী
দিনৰ ১২ বজাত সমান্তৰালভাৱে
বিজ্ঞান বিষয়ক জনপ্ৰিয় বক্তৃতা প্ৰদান
বক্তৃতা প্ৰদান কৰিব ঃ
ড° অৰূপ কুমাৰ শৰ্মা
অধ্যাপক, আই আই টি গুৱাহাটী
বিয়লি ২.০০ বজাত ঃ
আহাৰ বিৰতি
বিয়লি ২.৩০ বজাত ঃ
পুনৰ প্ৰতিনিধি সভা

# উত্তৰ গুৱাহাটী শাখাৰ ব্যৱস্থাপনাত অনুষ্ঠিত হব লগা বাৰ্ষিক অধিবেশন খনিৰ নিমন্ত্ৰনী পত্ৰ ।



অসম বিজ্ঞান সমিতিৰ ২০২৩-২৪ বৰ্ষৰ
বাৰ্ষিক সাধাৰণ সভাৰ আদৰণি সমিতি

মুখ্য পৃষ্ঠপোষক ঃ ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী, অসম

মুখ্য উপদেষ্টা ঃ শ্ৰীযুত হেমন্ত চৌধুৰী, বিশেষ কৰ্তব্যৰত বিষয়া, মুখ্যমন্ত্ৰী, অসম
শ্ৰীযুত ৰঞ্জিত ভট্টাচাৰ্য, ব্যক্তিগত সহায়ক, মুখ্যমন্ত্ৰী, অসম

উপদেষ্টা মণ্ডলী ঃ শ্ৰীযুত থানেশ্বৰ শৰ্মা, শ্ৰীযুত উৎপল বেজবৰুৱা, শ্ৰীযুত তপন কুমাৰ শৰ্মা (প্ৰতিষ্ঠাপক সভাপতি), শ্ৰীযুত টিকেন্দ্ৰজিৎ শৰ্মা, ড° হৃপেশ চৌধুৰী, শ্ৰীযুত উজ্জ্বলেন্দু গোস্বামী, শ্ৰীযুতা লীলা দেৱী, শ্ৰীযুত বাতুল বৰুৱা, শ্ৰীযুত প্ৰদীপ নাথ, শ্ৰীযুত বাণীকান্ত চক্ৰৱৰ্তী, শ্ৰীযুত গিৰিশ চন্দ্ৰ মেধি, শ্ৰীযুত ৰঞ্জন গোস্বামী, শ্ৰীযুত বাণভট্ট চাংকাকতি, শ্ৰীযুত হীৰামণি কলিতা, শ্ৰীযুত ৰঞ্জিৎ শৰ্মা, অধ্যাপক হাজমত আলী, শ্ৰীযুতা কুসুম মহন্ত, শ্ৰীযুতা চাৰুলতা কলিতা, শ্ৰীযুতা মঞ্জুলা চাংকাকতি, ড° ঈশাংকুৰ শইকীয়া, শ্ৰীযুত কৃষ্ণৰাম শইকীয়া, শ্ৰীযুতা সুপ্ৰভা চাংকাকতি, ড° ৰশ্মি দত্ত, ড° জিলি বৰদলৈ, ড° হলয়ানন্দ দাস, শ্ৰীযুত গৌৰীকান্ত কাকতি, শ্ৰীযুত পাৰ্থপ্ৰতিম বৰুৱা, ড° অৰুণ বৰশইকীয়া (IITG), শ্ৰীযুত বিক্ৰম সিংহ লহকৰ, শ্ৰীযুত লৱণ কিশোৰ কোঁৱৰ, শ্ৰী প্ৰণৱজ্যোতি বৰুৱা, শ্ৰী পুণ্ডৰীকাক্ষ বৰুৱা, ডাঃ ৰেজুৱান হুছেইন, শ্ৰীযুত সৌৰভ বৰকাকতি

সভাপতি ঃ শ্ৰী প্ৰভাত শৰ্মা

উপ-সভাপতি ঃ ড° শিখা কাশ্যপ, শ্ৰীযুতা সংগীতা বেজবৰুৱা, ড° বনিমা তালুকদাৰ, ড° কলুমী দেৱী

সম্পাদিকা ঃ শ্ৰী বৃন্দালী দেৱী

সহঃ সম্পাদক ঃ শ্ৰী প্ৰদীপ কুমাৰ কলিতা, ড° সঞ্জয় পাঠক, ড° মালচী চৌধুৰী

সদস্যসকল ঃ ড° অভিজিত বৰুৱা, ড° গৌতম শইকীয়া, ড° যোগেন দত্ত, ড° ললিত শ্ৰেষ্ঠ



স্মৃতি গ্ৰন্থ সম্পাদনা সমিতি ঃ

সভাপতি ঃ শ্ৰী টিকেন্দ্ৰজিৎ শৰ্মা

সম্পাদক ঃ ড° হৃপেশ চৌধুৰী

সহঃ সম্পাদিকা ঃ শ্ৰী বৃন্দালী দেৱী

সদস্যসকল ঃ শ্ৰী প্ৰদীপ কুমাৰ কলিতা, ড° হিমাদ্ৰী বড়া, ড° গৌতম শইকীয়া, ড° কবী দলে, শ্ৰী শিখা ৰাণী কাকতি, শ্ৰী অনামিকা বড়া, ড° চিদানন্দ শৰ্মা (IITG), শ্ৰী কৃষ্ণৰাম শইকীয়া, ড° মালচী চৌধুৰী, শ্ৰী থানেশ্বৰ শৰ্মা, শ্ৰী হেমন্ত কলিতা

খাদ্য উপ-সমিতি ঃ

সভাপতি ঃ শ্ৰী পাৰ্থ প্ৰতিম বৰকাকতি

মুখ্য তত্বাৱধায়ক ঃ শ্ৰী অশোক দত্ত

সদস্যসকল ঃ ড° মালচী চৌধুৰী, ড° সংঘমিত্ৰা শৰ্মা, ড° গজেন্দ্ৰ বল্লভ দেৱ চৌধুৰী, ড° জনমিলি তেৰাংপি, শ্ৰী বিনীতা শৰ্মা, শ্ৰী ননী নাথ, শ্ৰী নিৰ্মালী শইকীয়া, ড° হিমাদ্ৰী বড়া, শ্ৰী অমিয়া দাস, শ্ৰী দেৱস্তুতি শৰ্মা, ড° বিপুঞ্জয় সোণোৱাল, শ্ৰী এলভিন বৰুৱা, শ্ৰী প্ৰদীপ বৰুৱা

বিজ্ঞান বিষয়ক কুইজ পৰিচালনা সমিতি ঃ

শ্ৰী অনুপম ঠাকুৰীয়া, ড° গৌতম শইকীয়া, মঃ আব্দুল ৰছিদ চৌধুৰী, শ্ৰী বৃন্দালী দেৱী, শ্ৰী থানেশ্বৰ শৰ্মা, শ্ৰী পাৰ্থ প্ৰতিম বৰকাকতি, শ্ৰী প্ৰভাত শৰ্মা

ব্যৱস্থাপনা ঃ

তত্বাৱধায়ক ঃ শ্ৰী অশোক দত্ত, ড° অচ্যুতানন্দ বৰুৱা, শ্ৰী ধৰণী দাস

স্বেচ্ছাসেৱক বাহিনী ঃ

মুখ্য তত্বাৱধায়ক ঃ ড° সঞ্জয় পাথৰী, ড° জ্যোতিৰ্ময় কলিতা

স্বেচ্ছাসেৱকসকলঃ ৰাষ্ট্ৰীয় সেৱা বাহিনী (NSS)ৰ উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ সদস্যসকল, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (NCC)ৰ উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ সদস্যসকল



অভ্যৰ্থনা উপ-সমিতি ঃ

শ্ৰী শিখা ৰাণী কাকতি, ড° জুৰেলীনা চৌধুৰী, ড° ধৃতি মহন্ত, ডাঃ অনুপল্লৱী শৰ্মা, শ্ৰী টুনীপ্ৰিয়া দেৱী, ড° ঈপ্সিতা ভট্টাচাৰ্য, কণা ৰহমান, ড° স্বাতী নৰামী আইদেউ, ড° অসীমা মজুমদাৰ, শ্ৰী টিনামণি বৰগোহাঁই, শ্ৰী বেণু শইকীয়া, শ্ৰী অমিয়া দাস, শ্ৰী ননী নাথ, শ্ৰী কুসুম মহন্ত, শ্ৰী শিখামণি দাস, ড° জনমিলি তেৰাংপি, ড° কবী দলে

সাংস্কৃতিক উপ-সমিতি ঃ

উপদেষ্টা ঃ শ্ৰী চন্দ্ৰকান্ত দাস

সভাপতি ঃ শ্ৰী পিংকুমণি চৌধুৰী

সম্পাদক ঃ শ্ৰী দীৰেশ্বৰ বড়ো

সদস্যবৃন্দ ঃ ড° মালচী চৌধুৰী, ড° বণিমা তালুকদাৰ, ড° সংঘমিত্ৰা শৰ্মা, শ্ৰী সংগীতা বেজবৰুৱা, ড° ইপ্সিতা ভট্টাচাৰ্য

কৰ্ণধাৰ সমিতি ঃ

শ্ৰী থানেশ্বৰ শৰ্মা, শ্ৰী প্ৰভাত শৰ্মা, শ্ৰী বৃন্দালী দেৱী, শ্ৰী প্ৰদীপ কুমাৰ কলিতা, ড° শিখা কাশ্যপ, শ্ৰী পাৰ্থ প্ৰতিম বৰকাকতি, শ্ৰী অশোক দত্ত

প্ৰচাৰ উপ-সমিতি ঃ

শ্ৰী কণক ডেকা, শ্ৰী কৌশিক দাস, শ্ৰী মুনীন্দ্ৰ ডেকা, শ্ৰী দিগন্ত বৰদলৈ, শ্ৰী উৎপল তামুলী, শ্ৰী মুনিন ডেকা, শ্ৰী দীপেন বায়ন

সভা আৰু মঞ্চ উপ-সমিতি ঃ

ড° মালচী চৌধুৰী, ড° শিখা কাশ্যপ, শ্ৰী অনামিকা বড়া, ড° বণিমা তালুকদাৰ, শ্ৰী নিৰ্মালী শইকীয়া, শ্ৰী এলভিন বৰুৱা, ড° গজেন্দ্ৰ বল্লভ দেৱচৌধুৰী, শ্ৰী ফুলেন কাকতি, ড° প্ৰৱজিত কলিতা, ড° বিপুঞ্জয় সোণোৱাল, ড° সৌৰভ কলিতা, শ্ৰী দুলুমণি ৰাভা

***

# বাৰ্ষিক অধিবেশন
## 2023-24










photo @ nirud borah | 2024.05.26 09:10


অসম বিজ্ঞান সমিতি
বাৰ্ষিক সাধাৰণ সভা ২০২৩-২৪ বৰ্ষ
আয়োজক : অসম বিজ্ঞান সমিতি
উত্তৰ গুৱাহাটী শাখা
photo @ nirud borah | 2024.05.26 10:25


অসম বিজ্ঞান সমিতি
বাৰ্ষিক সাধাৰণ সভা ২০২৩-২৪ বৰ্ষ
আয়োজক : অসম বিজ্ঞান সমিতি
উত্তৰ গুৱাহাটী শাখা








বাৰ্ষিক সাধাৰণ সভা ২০২৩-২৪ বৰ্ষ
অসম বিজ্ঞান সমিতি




বাৰ্ষিক সাধাৰণ সভা ২০২৩-২৪ বৰ্ষ
আয়োজক : অসম বিজ্ঞান সমিতি
উত্তৰ গুৱাহাটী শাখা
স্থান : উত্তৰ গুৱাহাটী মহাবিদ্যালয়
তাৰিখ - ২৬-০৫-২০২৪ ইং




















উত্তৰ গুৱাহাটী শাখাৰ ব্যৱস্থাপনাত আজি বৰ সুন্দৰকৈ বাৰ্ষিক অধিবেশন খন অনুস্থিত হ'ল। আপোনালোকৰ  আতিথ্য নিশ্চয়কৈ প্ৰশংসনীয়। উৎকট গৰমকো নেওচি আপোনালোকে যি নিষ্ঠাৰে সেৱা আগবঢ়ালে সেইয়া প্ৰসংশনীয়। শাখাৰ সকলো কৰ্ম কৰ্তালৈ শ্ৰদ্ধা জ্ঞাপন কৰিলো।ধন্যবাদেৰে  - *নিৰোদ কুমাৰ বৰা*

https://www.facebook.com/share/p/6YxTtp2duLCZMoQB/?mibextid=xfxF2i

# বাৰ্ষিক সাধাৰণ সভাৰ প্ৰতিবেদন



## উত্তৰ গুৱাহাটীত অসম বিজ্ঞান সমিতিৰ বাৰ্ষিক সাধাৰণ সভা ২০২৫ বৰ্ষৰ ৫৫ সংখ্যক পৰৱৰ্তী অধিৱেশন অনুষ্ঠিত হ'ব ঢকুৱাখনাত

**দৈনন্দিন বাৰ্তাৰ সেৱা, উত্তৰ গুৱাহাটী, ২৬ মে'ঃ** অসম বিজ্ঞান সমিতিৰ ২০২৩-২৪ বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভাখন আজি দিনজোৰা কাৰ্য্যসূচীৰে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত অনুষ্ঠিত হয়। অসম বিজ্ঞান সমিতিৰ উত্তৰ গুৱাহাটী শাখাৰ উদ্যোগত অনুষ্ঠিত বাৰ্ষিক সভাখনৰ পূৰ্বে পুৱা অসম বিজ্ঞান সমিতিৰ পতাকা উত্তোলন কৰে অসম বিজ্ঞান সমিতিৰ সভাপতি ড° ধীৰেশ্বৰ কলিতাই। ইয়াৰ পিছতে অসম বিজ্ঞান সমিতিৰ সভাপতি ড° ধীৰেশ্বৰ কলিতাই সঞ্চালনা কৰা আৰু সমিতিৰ প্ৰধান সচিব মৃনাল কুমাৰ হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা প্ৰতিনিধি সভাত আদৰণি ভাষণ প্ৰদান কৰে আদৰণি সমিতিৰ সভাপতি প্ৰভাত শৰ্মাই। সভাৰ আৰম্ভণিতে ৰাগশ্ৰী সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষা পিংকু মণি চৌধুৰীয়ে পৰিচালনা কৰা সমবেত সংগীত পৰিৱেশন কৰে ৰাগশ্ৰী সংগীত মহাবিদ্যালয়ৰ শিল্পীসকলে। সভাত অসম বিজ্ঞান সমিতিৰ বছৰেকীয়া প্ৰতিবেদন পাঠ কৰে সমিতিৰ প্ৰধান সচিব মৃনাল কুমাৰ হাজৰিকাই আৰু হিচাপ নিকাচৰ খতিয়ান দাঙি ধৰে সমিতিৰ কোষাধ্যক্ষ তথা যুটীয়া সচিব (কাৰ্য্যালয় সম্পাদক) ড° জাকিৰ হুছেইনে। সভাত বাৰ্ষিক সভাখনৰ লগত সংগতি ড° হৃপেশ চৌধুৰীয়ে সম্পাদনা কৰা 'উত্তৰণ' শীৰ্ষক স্মৰণিকাখন উন্মোচন কৰে আই আই টি গুৱাহাটীৰ প্ৰতিষ্ঠাক সঞ্চালক ড° ধীৰেন্দ্ৰ নাথ বুঢ়াগোহাঁয়ে। সভাত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে অসম বিজ্ঞান সমিতিৰ আগন্তুক ৫৫ সংখ্যক অধিৱেশনখন ২০২৫ বৰ্ষত ঢকুৱাখনাত অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত উত্তৰ গুৱাহাটী বিজ্ঞান সমিতিক অসম বিজ্ঞান সমিতিৰ তৰফৰ পৰা ২০২৪ বৰ্ষৰ শ্ৰেষ্ঠ শাখাৰ বঁটা প্ৰদান কৰা হয়। বঁটা প্ৰদান কৰে অসম বিজ্ঞান সমিতিৰ সভাপতি ড° ধীৰেশ্বৰ কলিতাই। উত্তৰ গুৱাহাটী বিজ্ঞান শাখাৰ তৰফৰপৰা বঁটা গ্ৰহণ কৰে সম্পাদিকা বৃন্দালি দেৱীয়ে। ইয়াৰ সমান্তৰালভাৱে বিজ্ঞান বিষয়ক এক জনপ্ৰিয় বক্তৃতা প্ৰদান কৰে আই আই টি গুৱাহাটীৰ অধ্যাপক ড° অৰূপ কুমাৰ শৰ্মাই। সভাত অসম বিজ্ঞান সমিতিৰ উপ সভাপতি ড° অমল দত্ত, ড° অৰুনী কুমাৰ দাস, অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন প্ৰধান সচিব ড° ভাগৱত প্ৰাণ দুৱৰা আৰু ড° জগদীন্দ্ৰ ৰায়চৌধুৰী, সমিতিৰ বিশেষ কৰ্তব্যৰত বিষয়া চন্দ্ৰ বৰ্মণৰ লগতে অসম বিজ্ঞান সমিতিৰ অন্তৰ্গত অসমৰ বিভিন্ন জিলাৰ দুই শতাধিক বিষয় ববীয়া তথা সদস্য উপস্থিত থাকে। অসম বিজ্ঞান সমিতিৰ বাৰ্ষিক অধিৱেশনখন সাফল্যমণ্ডিত কৰা বাবে অসম বিজ্ঞান সমিতিৰ উত্তৰ গুৱাহাটী শাখাৰ সভাপতি থানেশ্বৰ শৰ্মা, যুটীয়া সম্পাদিকা ড° মালচী চৌধুৰী আৰু ড° হিমাদ্ৰী বড়া, আদৰণি সমিতিৰ সভাপতি প্ৰভাত শৰ্মা আৰু সম্পাদিকা বৃন্দালী দেৱীয়ে সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

## উত্তৰ গুৱাহাটীলৈ অসম বিজ্ঞান সমিতিৰ শ্ৰেষ্ঠ শাখাৰ বঁটা



*অসম বিজ্ঞান সমিতিৰ বাৰ্ষিক সাধাৰণ সভাত 'উত্তৰণ' শীৰ্ষক স্মৰণিকা উন্মোচনৰ মুহূৰ্ত*

**'আমাৰ অসম'ৰ প্ৰতিনিধি, আমিনগাঁও, ২৬ মে'ঃ** অসম বিজ্ঞান সমিতিৰ ২০২৩-২৪ বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভাখন আজি দিনজোৰা কাৰ্যসূচীৰে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত অনুষ্ঠিত হয়। অসম বিজ্ঞান সমিতিৰ উত্তৰ গুৱাহাটী শাখাৰ উদ্যোগত অনুষ্ঠিত বাৰ্ষিক সভাখনৰ পূৰ্বে পুৱা অসম বিজ্ঞান সমিতিৰ পতাকা উত্তোলন কৰে অসম বিজ্ঞান সমিতিৰ সভাপতি ড° ধীৰেশ্বৰ কলিতাই। ইয়াৰ পিছতে অসম বিজ্ঞান সমিতিৰ সভাপতি ড° ধীৰেশ্বৰ কলিতাই সঞ্চালনা কৰা আৰু সমিতিৰ প্ৰধান সচিব মৃণাল কুমাৰ হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা প্ৰতিনিধি সভাত আদৰণি ভাষণ প্ৰদান কৰে আদৰণি সমিতিৰ সভাপতি ... কৰা 'উত্তৰণ' শীৰ্ষক স্মৰণিকাখন উন্মোচন কৰে আই আই টি গুৱাহাটীৰ প্ৰতিষ্ঠাক সঞ্চালক ডঃ ধীৰেন্দ্ৰ নাথ বুঢ়াগোহাঁয়ে। সভাত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে অসম বিজ্ঞান সমিতিৰ আগন্তুক ৫৫সংখ্যক অধিৱেশনখন ২০২৫ বৰ্ষত ঢকুৱাখনাত অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত উত্তৰ গুৱাহাটী বিজ্ঞান সমিতিক অসম বিজ্ঞান সমিতিৰ তৰফৰ পৰা ২০২৪ বৰ্ষৰ শ্ৰেষ্ঠ শাখাৰ বঁটা প্ৰদান কৰা হয়। বঁটা প্ৰদান কৰে ড° ধীৰেশ্বৰ কলিতাই। উত্তৰ গুৱাহাটী বিজ্ঞান শাখাৰ তৰফৰপৰা বঁটা গ্ৰহণ কৰে সম্পাদিকা বৃন্দালি দেৱীয়ে। ইয়াৰ সমান্তৰালভাৱে ...

# সম্বৰ্ধনা

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা অসম বিজ্ঞান সমিতি, বকোশাখাৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰতিষ্ঠাপক সভাপতি, তেখেতৰ বৰ্তমান বয়স ৯২+ বছৰ। শাখাৰ বৰ্তমানৰ সভাপতি অৰবিন্দ চৌধুৰী ছাৰে গামোচা এখনেৰে সম্বৰ্ধনা জনোৱা মুহূৰ্ত্তত..



পৰম শ্ৰদ্ধেয় অৱসৰপ্ৰাপ্ত অধ্যক্ষ, জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো তথা প্ৰতিষ্ঠাপক সভাপতি, অসম বিজ্ঞান সমিতি, বকো শাখা

শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ মহাশয়ৰ শ্ৰদ্ধাৰে --

অসম বিজ্ঞান সমিতি, বকো শাখা

বকো : কামৰূপ : অসম

২৬ মে', ২০২৪ ইং তাৰিখ

মানপত্ৰ

শ্ৰদ্ধাভাজনেষু,

পাতনিতে অসম বিজ্ঞান সমিতি, বকো শাখাৰ তৰফৰ পৰা আপোনালৈ আন্তৰিক শুভেচ্ছা আৰু ওলগ জনাইছোঁ। লগতে আপোনাৰ সুস্বাস্থ্য কামনা কৰিলোঁ। কটন মহাবিদ্যালয়ৰ (এতিয়াৰ বিশ্ববিদ্যালয়) ইংৰাজী বিভাগৰ লোভনীয় অধ্যাপকৰ পদ ত্যাগ কৰি বকোৰ নিচিনা জনজাতীয় প্ৰধান এলেকাত নতুনকৈ স্থাপিত হোৱা (১৯৬৪ ইং চনত) জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত ১৯৬৫ ইং চনৰ আগষ্ট মাহত অধ্যক্ষৰূপে যোগ দানকৰি ১৯৯৫ ইং চনৰ ৩১ মে'লৈকে সুকলমে কাৰ্যনিৰ্বাহ কৰিছিল আৰু এই পিছপৰা অঞ্চলটিত উচ্চ শিক্ষাৰ বাবে এক গতিশীল, বৌদ্ধিক তথা কলাত্মক পৰিৱেশ গঢ় দিয়াত আগ-ভাগ লৈছিল।

হে মহান, শিক্ষানুষ্ঠানখনৰ গধুৰ দায়িত্বৰ উপৰিও এই অঞ্চলত যিহেতু বিজ্ঞানশিক্ষাৰ কোনো ধৰণৰ ব্যৱস্থা নাছিল, ছাত্ৰ- ছাত্ৰীবিলাক গুৱাহাটীলৈ উচ্চ শিক্ষাৰ বাবে যাব লগা হৈছিল,সেই সময়তে আপুনি এই অঞ্চলৰে আন এজন বিশিষ্ট ব্যক্তি তথা শিক্ষাবিদ বকো হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক স্বৰ্গীয় ঘনকান্ত মেধিদেৱৰ সহযোগত আৰু দ্বৈত প্ৰচেষ্টাত ১৯৮৪ ইং চনতে অসম বিজ্ঞান সমিতি, বকো শাখাৰ জন্ম দিবলৈ সক্ষম হৈছিল। আপুনি প্ৰতিষ্ঠাপক সভাপতিৰূপে স্বৰ্গীয় মেধিদেৱক (প্ৰতিষ্ঠাপক সম্পাদক) লগত লৈ এই অঞ্চলৰ গাঁৱে-ভূৱে বিভিন্ন ধৰণৰ বিজ্ঞান বিষয়ক সভা-সমিতি কৰিছিল,যাৰ দ্বাৰা এই পিছপৰা অঞ্চলটিত কিছু হ'লেও বিজ্ঞান মানসিকতাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। আনকি, আপুনি স্বৰ্গীয় মেধিদেৱক লগত লৈ ১৯৮৬ ইং চনত দুধনৈত অনুষ্ঠিত হোৱা অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় অধিবেশনত বকো শাখাক প্ৰতিনিধিত্ব কৰিছিল আৰু অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছিল।

হে মহান, আজি উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা অসম বিজ্ঞান সমিতিৰ বাৰ্ষিক (২০২৩-২৪ ইংৰাজী বৰ্ষৰ) সাধাৰণ সভাখনৰ প্ৰাক্ মুহূৰ্তত আপোনাক তথা আপোনাৰ পৰিয়ালৰ আটাইকে বকো শাখাৰ তৰফৰ পৰা আকৌ আন্তৰিকতাৰে শুভেচ্ছা জনালোঁ আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

বিনম্ৰতাৰে-

অসম বিজ্ঞান সমিতি, বকো শাখাৰ হৈ-

অৰবিন্দ চৌধুৰী, সভাপতি

প্ৰবোধ চন্দ্ৰ দাস, ধ্ৰুৱজ্যোতি মেধি, উপ-সভাপতিদ্বয়

পৱিত্ৰ কৈৱৰ্ত্ত, সম্পাদক



দৈনন্দিন বাৰ্তা

জাতি, মাটি আৰু দেশৰ সেৱাত

# অসম বিজ্ঞান সমিতি, বকো শাখাৰ প্ৰতিষ্ঠাপক সভাপতি যতীন্দ্ৰ চন্দ্ৰ নাথৰ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে সম্বৰ্ধনা

দৈনন্দিন বাৰ্তা সেৱা, বকো, ৩১ মে' ঃ বিগত ১৯৬৫ চনত উচ্চ শিক্ষিত যুৱক যতীন্দ্ৰ চন্দ্ৰ নাথে কটন মহাবিদ্যালয়ৰ (বৰ্তমানৰ বিশ্ববিদ্যালয়) ইংৰাজী বিভাগৰ অধ্যাপকৰ পদ এৰি কামৰূপ জিলাৰ জনজাতীয় বসতি প্ৰধান এলেকাত অৱস্থিত জৱাহৰলাল নেহৰু মহাবিদ্যালয় বকোৰ অধ্যক্ষ ৰূপে যোগদান কৰিছিল। উল্লেখ্য যে সেই সময়ৰ চৰকাৰৰ কেবিনেট

উচ্চ শিক্ষাৰ লগতে বিজ্ঞান সমিতিত আগবঢ়োৱা অবদানৰ বাবে অসম বিজ্ঞান সমিতি, বকো শাখাৰ এটি দলে গৈ স্বাস্থ্যৰ খবৰ লোৱাৰ লগতে এখনি ফুলাম গামোচা, এখনি মানপত্ৰ, এখনি শৰাই, 'অসম বিজ্ঞান সমিতি, বিজ্ঞান প্ৰচাৰৰ সেৱাত ৬৫ বছৰ' শীৰ্ষক অসম বিজ্ঞান সমিতিৰ দ্বাৰা প্ৰকাশিত কিতাপখনৰ লগতে অসম বিজ্ঞান সমিতিৰ ২০২৩-২৪ বৰ্ষৰ উত্তৰ










মৰিগাঁও শাখা

# Science model/project/ idea exhibition















https://www.facebook.com/groups/morigaonsciencesociety/permalink/7616536671798041/?ref=share&mibextid=NSMWBT

## জনস্বাস্থ্য, পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন উপসমিতিৰ সভা

### ভাৰ্চুৱেল মাধ্যম, তাৰিখঃ ২৯-০৫-২০২৪, সময়ঃ সন্ধিয়া ৭-৩০ বজা

**জনস্বাস্থ্য, পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন উপসমিতিৰ সভাত হোৱা আলোচনাৰ মূল বিষয় সমূহ আৰু পৰামৰ্শ/সিদ্ধান্তঃ**

সভাত সভাপতিত্ব কৰে সমিতিৰ সভাপতি ড০ ধীৰেশ্বৰ কলিতাই।

উপস্থিত সদস্যৰ সংখ্যাঃ ১৫ গৰাকী।

সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শ্ৰী হিৰণ্য কুমাৰ নাথে।

সভাত বক্তব্য আগবঢ়ায় শ্ৰী মৃণাল কুমাৰ হাজৰিকা, শ্ৰী দেবজিত ফুকন, শ্ৰী ধৰণী শইকীয়া, নজিবুদ্দিন আহমেদ, ড০ অমল চন্দ্ৰ দত্ত, শ্ৰী বিনীতা শৰ্মা, শ্ৰী বৃন্দালী দেৱী আৰু শ্ৰী প্ৰদীপ নেওগ।

শলাগৰ শৰাই আগবঢ়ায় শ্ৰী ধ্ৰুৱজ্যোতি মেধিয়ে।

**সভাৰ সিদ্ধান্ত/পৰামৰ্শৱলীঃ**

১। আগন্তুক ৫ জুন, ২০২৪ তাৰিখৰ বিশ্ব পৰিৱেশ দিৱসৰ দিনা সন্ধিয়া দিৱসৰ এই বছৰৰ মূল বিষয়ৰ ওপৰত ভাৰ্চুৱেল মাধ্যমত এখন সজাগতা সভা অনুষ্ঠিত কৰা হ'ব। সমল ব্যক্তি হিচাপে আমন্ত্ৰণ জনোৱা হ'ব পৰিৱেশ মিত্ৰ দেৱজিত ফুকন আৰু ড০ অমল চন্দ্ৰ দত্তক।

২। ৫ জুনৰ বিশ্ব পৰিৱেশ দিৱসটো সকলো শাখাৰ উদ্যোগত বৃক্ষৰোপণ, সজাগতা সভা, জনপ্ৰিয় বক্তৃতানুষ্ঠান, ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতা, প্ৰকৃতি সংৰক্ষণ কাৰ্যসূচী আদিৰে পালন কৰাৰ বাবে পৰামৰ্শ আগবঢ়ায়।

৩। বিশ্ব পৰিৱেশ দিৱসৰ শ্লোগান 'আমাৰ মাটি - আমাৰ ভৱিষ্যত' আনহাতে মূল বিষয় হ'ল - 'ভূমি অৱক্ষয়, মৰুভূমিকৰণ আৰু খৰাং প্ৰতিৰোধ'। দুয়োটা পৃথক বিষয় বুলি সভাই স্পষ্ট কৰি দিয়ে আৰু শাখাসমূহৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰে।

৪। গছপুলি ৰোপণৰ লগতে নিশ্চিত প্ৰতিপালনৰ ওপৰতো গুৰুত্ব দিবলৈ শাখা সমূহৰ প্ৰতি আহ্বান জনায়।

৫। প্ৰকৃতি সংৰক্ষণ, মূল বিষয়, শ্লোগানন বিষয় বস্তু সামৰি এটি নোট/টোকা প্ৰস্তুত কৰাৰ বাবে দেৱজিত ফুকনক দায়িত্ব ন্যস্ত কৰা হয়।

৬। ইতিমধ্যে আৰম্ভ কৰা ক্ষুদ্ৰ অৰণ্যসমূহৰ বৰ্তমান স্থিতি সম্পৰ্কত শাখা সমূহৰ পৰা আলোকচিত্ৰসহ অগ্ৰগতি জনাব লাগে।

৭। ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণৰ দ্বাৰা স্থানীয় এটা বিধ্বস্ত আৰু সুস্থ পৰিৱেশৰ ক্ষেত্ৰ অধ্যয়নযোগে তথ্য আহৰণ কৰি তুলনামূলক অধ্যয়ন হ'ব লাগে। এই ক্ষেত্ৰত সমিতিয়ে পদক্ষেপ ল'ব লাগে।

মৃণাল কুমাৰ হাজৰিকা
প্ৰধান সচিব

শ্ৰী নিৰোদ কুমাৰ বৰা
যুটীয়া সচিব, জন স্বাস্থ্য, পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন

শ্ৰীবৃন্দালী দেৱী, শ্ৰী হিৰণ্য কুমাৰ নাথ, শ্ৰী ধ্ৰুৱজ্যোতি মেধি
যুটীয়া আহ্বায়ক, জনস্বাস্থ্য, পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন উপসমিতি
অসম বিজ্ঞান সমিতি

অসম বিজ্ঞান সমিতি
ভাৰ্চুৱেল বক্তৃতানুষ্ঠান
5 জুন , সন্ধিয়া :: 7-00
লিংক খোলা সময়: 6-50




# কেন্দ্ৰীয় ভাবে উদযাপন কৰা বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচী














# কেন্দ্ৰীয় ভাবে উদযাপন কৰা বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচী

## বিশ্ব পৰিৱেশ দিৱসৰ এই বছৰৰ বাণী: আমাৰ বাসভূমি- আমাৰ ভৱিষ্যৎ।

**বিষয়বস্তু : বাসভূমি সুৰক্ষাৰ লগতে মৰুকৰণ প্ৰতিৰোধ আৰু খৰাং পৰিস্থিতিৰে মোকাবিলা**

**বিশ্ব পৰিবেশ দিৱস উপলক্ষ্যে :**

এই বছৰৰ বিষয়বস্তুৰ আধাৰত এই চমু বক্তব্যটো যুগুতোৱা হৈছে। আমাৰ শাখাৰ কৰ্মকৰ্তা সকলৰ সহায়ক হোৱাকৈ । লেখনিটো আমাৰ অনুৰোধ মৰ্মে পৰিৱেশ মিত্ৰ শ্ৰী দেৱজিৎ ফুকন দেৱে প্ৰস্তুত কৰিছে। তেখেতলৈ ধন্যবাদ জনাই আপোনালোকৰ জ্ঞাতাৰ্থে আগবঢ়ালো।

বিশ্ব পৰিৱেশ দিৱসৰ এই বছৰৰ বাণী: আমাৰ বাসভূমি- আমাৰ ভৱিষ্যৎ।* আৰু বিষয়বস্তু হৈছে: বাসভূমি সুৰক্ষাৰ লগতে মৰুকৰণ প্ৰতিৰোধ আৰু খৰাং পৰিস্থিতিৰে মোকাবিলা ।

ইতিমধ্যে প্ৰায় অৰ্ধ শতিকা জুৰি পালিত হৈ অহা বিশ্ব পৰিৱেশ দিৱসৰ প্ৰতিটো বছৰত বিশ্ববাসীয়ে বিভিন্ন বাণী আৰু বিষয়বস্তু সাৰোগত কৰি কৰি অৱশেষত আহি পৰিলেহি পৃথিৱীবাসীৰ ভৰসাৰ একমাত্ৰ থলী আমাৰ বাসভূমি বা Our Land। জীৱজগতৰ বৰ্তমান আৰু ভৱিষ্যৎ আশা ভৰসাৰ একমাত্ৰ থলী একমাত্ৰ বাসভূমি খনৰ অৱস্থা বৰ্তমান কেনে বাৰু ?! পৰিৱেশ ৰক্ষাৰ হাজাৰ প্ৰচেষ্টা স্বত্তেও আজিৰ পৃথিৱী বাসীয়ে জীৱনৰ খোজ দিবলগীয়া হৈছে- এটা অকল্পনীয় মাত্ৰাৰ পৰিৱেশগত দুৰ্যোগৰ সম্ভাৱনা সন্মুখত লৈ ! গতিকে, বৰ্তমানৰ পৰিৱেশ দিৱসৰ লক্ষ্য আৰু উদ্দেশ্য হৈ পৰিল, যেন পৃথিৱী বাসীৰ আত্মৰক্ষাৰহে প্ৰচেষ্টা। আমাৰ বাসভূমি বুলিলে, সেইয়া আমাৰ চৌপাশৰ পৰিৱেশৰ বাদে অন্য একো নহয়। থাওকতে আমি কওঁ যে আমাৰ চৌপাশটোৱেই আমাৰ পৰিৱেশ। পিছে সেইয়া বুজিব পৰাকৈ যথোচিত সংজ্ঞা বুলিব নোৱাৰি। আমি সততে তিনিটা নাম প্ৰকৃতি, পৰিৱেশ আৰু জৈৱবৈচিত্ৰ্য বুলি কওঁ যদিও, মৌলিক দৃষ্টিৰে তিনিওৰে সংজ্ঞা একেটাই। একেখন পটভূমিকে



আমি তিনিটা বা ততোধিক নামেৰে অভিহিত কৰি আহিছোঁ বাবেই পৃথক বিষয় যেন ভাৱ হয়। এতিয়া পৰিৱেশ শব্দটোৰেই আগবাঢ়ো আহক- তিনিটা স্তৰৰ উপাদানৰ সমাৱেশেৰে সৃষ্টি হৈছে আমাৰ পৰিৱেশ :-

# কেন্দ্ৰীয় ভাবে উদযাপন কৰা বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচী

যথা: (প্ৰথম স্তৰ) বাসস্থান বৈচিত্ৰ্য: জীৱনৰ অস্তিত্ব য'ত সম্ভৱ সেয়াই বাসস্থান। শুকান মৰুভূমিত বাসস্থানৰ বৈচিত্ৰ্য মাত্ৰ এবিধ বা দুবিধ, যেনে: কেৱল শুকান বালিময় বাসস্থান। কিন্তু তাৰ বিপৰীতে আমাৰ ৰাজ্যত বিবিধ ক্ষুদ্ৰ ক্ষুদ্ৰ বাসস্থানৰ বৈচিত্ৰ্য অতি উচ্চ। যেনে: ১)ঘাঁহনি,২) ফুটুকানি, ৩)জোপোহানি, ৪)পুখুৰী, ৫)বিল, ৬)তৰানি, ৭)কচুৰনি, ৮)বিৰিণানি,৯) দলনি, ১০)মেটেকানি, ১১)ধাননি, ১২)গভীৰ অৰণ্য আদি কৰি শত বিধৰো অধিক।

(দ্বিতীয় স্তৰ) জীৱবৈচিত্ৰ্য : আগতে উল্লেখ কৰা বাসস্থান সমূহৰ বাসিন্দা সমূহেই হৈছে জীৱ বিলাক। বাসস্থানৰ বৈচিত্ৰ্য যিমান বেছি, সিমানেই বেছি জীৱৰ বৈচিত্ৰ্য। কিন্তু মৰুভূমিৰ দৃশ্যপট ইয়াৰ বিপৰীত। এই কথাও জানিব লগীয়া যে - উদ্ভিদ আৰু প্ৰাণীৰ জগতখনক একেলগে কোৱা হয় জীৱ বা প্ৰজাতি।

(তৃতীয় স্তৰ) বংশগতীয় বৈচিত্ৰ্য: অতি ক্ষুদ্ৰ বা বৃহতেই হওক, প্ৰত্যেক প্ৰজাতিয়ে বহন কৰি আহিছে নিজস্ব সেই চিৰন্তন বংশানুক্ৰমিক পৰিচয়। ইয়াৰ দ্বাৰা সুৰক্ষিত হৈ আহিছে পৰিৱেশৰ সেই অতি প্ৰাকৃতিক সূত্ৰ, কৌশল আৰু পদ্ধতি । ইয়াৰ দ্বাৰা সৃষ্টি আৰু পৰিচালিত হৈ চিৰন্তন ভাৱে চলি আহিছে পৃথিৱীৰ প্ৰকৃতি বা পৰিৱেশ বা জৈৱবৈচিত্ৰ্য।

ইয়াত আমি আভাস পোৱা এই তিনিওটা স্তৰৰ সন্মিলিত অৱস্থা টোৱেই হৈছে আমাৰ বাসভূমি বা Our Land অৰ্থাৎ আমাৰ পৰিৱেশ। এই কথা আকৌ দোহাৰিব লগা নাই যে আমাৰ বাসভূমিয়েই হৈছে আমাৰ ভৱিষ্যতৰ পৰিৱেশগত অস্তিত্বৰ একমাত্ৰ থলী। অথচ, যোৱা অৰ্ধ শতিকা জুৰি চলোৱা আপ্ৰাণ প্ৰচেষ্টাকো ওফৰাই পেলাই আমাৰ বাসভূমি খনলৈ ক্ৰমশঃ নামি আহিছে এক ভয়াবহ পৰিৱেশগত সংকট । ইয়াত সংযুক্ত হৈ আছে পৃথিৱী বাসীৰ জীৱনৰ অস্তিত্বৰ প্ৰশ্ন হওঁতে , কোনেও কেতিয়াও নিজৰ জ্ঞান-বিচাৰেৰে, পৰিৱেশৰ ক্ষতি সাধন হওক, জৈৱবৈচিত্ৰ্যৰ অৱক্ষয় হওক এনে কাম বা এনে কামনা কেতিয়াও নকৰে। তেন্তে, কিয় দিনক দিনে বৰ্ধিত মাত্ৰাত আৰু দ্ৰুত গতিৰে বিনাশ প্ৰাপ্ত হ'ব ধৰিছে আমাৰ এই আপুৰুগীয়া বাসভূমি খন ?! এই ক্ষেত্ৰত এক সামগ্ৰিক আৰু চমু উত্তৰ হৈছে "জৈৱিক চাপ" বা "Biotic pressure "। অৰ্থাৎ কি মানৱ জাতি, কি ইতৰ প্ৰাণীৰ জগতখন, সকলোৰে জীৱন যাত্ৰা সম্ভৱ হৈছে কেৱল জৈৱ বৈচিত্ৰ্যৰ খৰচেৰে। কথাষাৰ বুজি পাবলৈ - মানুহকে ধৰি সমগ্ৰ জীৱজগত খনে পানীটোপা, অক্সিজেন খিনি, আহাৰ খিনি, বস্ত্ৰ, বনৌষধি আৰু বাসস্থান আদিবোৰ ক'ৰ পৰা পাইছে বুলি প্ৰশ্ন উত্থাপন কৰিলেই যথেষ্ট। তদুপৰি মানৱ জাতিক উদ্দেশ্যি কৰিব লগীয়া ডাঙৰ প্ৰশ্নটো হৈছে -প্ৰয়োজনৰ অন্তহীন তালিকা খনৰ পৰা আৰম্ভ কৰি সীমাহীন বিলাসীতা, বিনোদন, দ্ৰুতগামী-প্ৰতিযোগিতাময় জীৱন, আভিজাত্যৰ প্ৰদৰ্শন, আচহুৱা ধৰণৰ অভিৰুচি আদি কৰি অন্তহীন কাৰ্যকলাপ খিনি চৰিতাৰ্থ কৰাৰ বিপৰীতে ব্যাপক মাত্ৰাত ব্যয় হৈছে কি ?? এই সকলো প্ৰশ্নৰে উত্তৰ মাত্ৰ এটাই। সেইটো হৈছে, মানুহে এই সকলোবোৰলাভ কৰিছে নিজৰ অজানিতে কৰিব ধৰা পৰিৱেশ বা জৈৱবৈচিত্ৰ্যৰ খৰচৰ বিনিময়তহে !পৰিৱেশৰ এনে অৱক্ষয় প্ৰতিৰোধৰ হকে প্ৰায় অন্তিম পৰ্যায়ৰ অভিযানটো হৈছে মানৱজাতিৰ বাবে নিৰ্দ্ধাৰণ কৰি দিয়া পদ্ধতি - Sustainability আৰু Sustainable development অৰ্থাৎ বহনশীল জীৱন শৈলী আৰু বহনশীল উন্নয়ন । এই পদ্ধতিৰ অৱলম্বনত সুৰক্ষিত হ'ব আমাৰ বাসভূমি আৰু নিৰাপদ হৈ উঠিব আমাৰ, জীৱজগতৰ পৰিৱেশগত ভৱিষ্যৎ।

- **দেৱজিৎ ফুকন**
**ঢকুৱাখনা শাখা বিজ্ঞান সমিতি (08/০৬/২০২৪)**

# বিভিন্ন শাখাই তৈয়াৰ কৰা আকৰ্ষণীয় বেনাৰ সমূহ...



# বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বিভিন্ন শাখা সমূহে পালন কৰা কাৰ্যসূচী সমূহ

## ধেমাজি শাখা :





## ডিমৌ শাখা :









1-June



# বিশ্ব পৰিৱেশ দিৱসৰ প্ৰথম দিনৰ কাৰ্যসূচী - চিত্ৰাংকণ প্ৰতিযোগিতা






## বামুণীত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন

গণ বাৰ্তা, কলিয়াবৰ, ৫ জুন ঃ ১৯৭৮ চনতেই কলিয়াবৰৰ বুকুত জন্মলাভ কৰা 'কলিয়াবৰ শাখা বিজ্ঞান সমিতি'ৰ উদ্যোগত আৰু 'বামুণী উচ্চ মাধ্যমিক বিদ্যালয়'ৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস অনুষ্ঠানটো উদ্‌যাপন হৈ যায়। পুৱা ৯ বজাত অসম বিজ্ঞান সমিতিৰ পতাকা উত্তোলনেৰে আৰম্ভ হোৱা অনুষ্ঠানটোৰ আঁত ধৰে সম্পাদক ভূপেন শৰ্মাই। উত্তোলক হিচাপে উপস্থিত থাকে সভাপতি গোলাপ চন্দ্ৰ শইকীয়া। ৯.৩০ বজাত কলিয়াবৰৰ ছয়খন বিদ্যালয়ৰ শিক্ষক আৰু শিক্ষাৰ্থী সহ প্ৰায় চাৰি শতাধিক লোকৰ উপস্থিতিত পৰিৱেশ ৰক্ষাৰ বাবে এক শোভাযাত্ৰা বাহিৰ কৰা হয়। ১০.৩০ বজাত তিনিগৰাকী অতিথি ক্ৰমে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি কৃষ্ণ তেৰাং, নাহৰকটীয়াৰ সত্যজিৎ গগৈ আৰু স্থানীয় সমাজসেৱক ভাগেশ্বৰ নাৰ্জাৰীৰ দ্বাৰা ছপুলিৰোপণ কৰোৱা হয়। স্মৰ্তব্য যে অনুষ্ঠানটোৰে অতিথি সকলক এটিকৈ গছপুলিৰে আদৰণি জনায়।১১ বজাত শিক্ষাৰ্থী সকলৰ বক্তৃতা অনুষ্ঠানত ছয়খন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে অংশগ্ৰহণ কৰে।১.৩০ বজাত মুকলি সভা অনুষ্ঠিত হয়।মুকলি সভাখন সভাপতিত্ব কৰে শাখাটোৰ সভাপতি গোলাপ চন্দ্ৰ শইকীয়াই।নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি 'ভূমি সংৰক্ষণ, মৰুকৰণ আৰু খৰাং সহিষ্ণুতা' শীৰ্ষক বিষয়ত বক্তৃতা আগবঢ়াই কলিয়াবৰ মহাবিদ্যালয়ৰ জৈৱ প্ৰযুক্তি বিভাগৰ মুৰব্বী অধ্যাপিকা ড° বৰ্ণালী শৰ্মাই। অনুষ্ঠানত বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীসকলৰ উপস্থিতিৰ লগতে বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। আনহাতে, বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত হৈ যোৱা কলিয়াবৰৰ বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, স্ল'গান লিখা প্ৰতিযোগিতা, ৰচনা প্ৰতিযোগিতা আৰু বক্তৃতা প্ৰদান প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি শ্ৰেষ্ঠ হোৱা শিক্ষাৰ্থীসকলক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানটোত উপস্থিত আছিল ক্ৰমে প্ৰসন্ন কুমাৰ মহন্ত, ৰঞ্জিত কুমাৰ ভট্টাচাৰ্য, কবিতা বৰা, উত্তম কুমাৰ শইকীয়া, কাৰ্তিক হাজৰিকা, হেমন্ত কুমাৰ বৰা, লেখামণি বেৰি বৰা, মুনমি বৰুৱা নেওগ, নৃপেন শইকীয়া, প্ৰাঞ্জল বৰা, পৰশমণি শৰ্মা, বিংকু খাটনিয়াৰ, প্ৰশান্ত সৰকাৰ, পংকজ কুমাৰ বৰুৱা, জুৰি বসুমতাৰী, চন্দ্ৰ গয়াৰী, ভক্তে চন্দ্ৰ খাকলাৰী, নুৰ জামাল হক, শুধাংশু মোহন দাস, মামণি বাগলাৰী, কৰুণা হাজৰিকা, নীলমণি শইকীয়া আদি।

## যোগ শিবিৰ মুকলি

গুৱাহাটী, ৫ জুন ঃ বামুণীমৈদামৰ পূব শিয়ালি ফুকন নগৰ শিৱ মন্দিৰ প্ৰাংগনত ৪ জুনত এটি যোগ শিবিৰ মুকলি কৰা হয়। শিবিৰটো এগচি বন্তি প্ৰজ্বলনেৰে মুকলি কৰে সত্ৰীয়া নৃত্যশিল্পী তথা যোগ শিক্ষয়িত্ৰী বাণী ভৱানী বৰুৱাই। পতঞ্জলি যোগ সমিতি আৰু ভাৰত স্বাভিমান ন্যাসৰ সহযোগত তথা মুজুৰা যোগ কেন্দ্ৰৰ সৌজন্যত আয়োজন কৰা শিবিৰটোত স্থানীয় কে'বাগৰাকীও মহিলাই অংশগ্ৰহণ কৰে।





# কলিয়াবৰ শাখা :




